চান্দমামা

নভেমবাৰ ১৯৮৯





Ramanand Sagar's
Ramayan
PHOTO COMICS
12 volumes. In Hindi and English
Ramanand Sagar's
Ramayan
Legend has it that a herb gave new life to man.
ZANDU
Rs. 5/- each
Published by
CHANDAMAMA
VIJAYA COMBINES
188, N.S.K. Salai, Vadapalani, Madras-600 026.
Under licence from
SAGAR ENTERPRISES
Natraj Studios, 194, Andheri Kurla Road, Bombay-400 069.
Vol. No. 3 now available at news stands



ধৰিলোৱা
তোমাৰ
বন্ধুক
নাইকিয়া
হোৱাৰ
আগতেই!
এইজন হেণ্ডীবয়ে
একেবাৰে চুম্বুকৰ দৰে টানিব দেই!
আৰু তেও আহিব বিনামূলীয়াকৈ!
25টা হেণ্ডী প্লাস্ট ষ্ট্ৰীপৰ
প্ৰত্যেকটো পেকতে।
তেওৰ কামবোৰ কি যে মজাৰ!
ফ্ৰিজতো লাগি যাব বা ষ্টীল
কাপবৰ্ডতো। আৰু তোমাৰ
কথা শুনি থাকিব।
তোমাৰ বাবে তেও তোমাৰ
ছবিবোৰ আৰু কাৰ্ডবোৰো
ৰাখিব পাৰিব।
আৰু তুমি যদি যাক
হেণ্ডী প্লাস্টৰ পেকটো কিনিবৰ
বাবে লাগি নাথাকা
তেতিয়াহলে তেও আৰু
এটা কাণ্ড কৰিব।
তেও নাই কিয়া হৈ যাব!
লৰালৰি কৰা!
তোমাৰ হেণ্ডীবয় চুম্বুক
আজিয়েই লোৱা।
এই সুযোগ
পোৱা যাব ষ্টক
থকালৈকেহে।
বিনামূল্যে!
হেণ্ডীবয় চুম্বুক
প্ৰত্যেক 25টীয়া পেকৰ সৈতে
বন্ধুৰ দৰে ষ্ট্ৰীপ!
Handyplast®
® Registered Trade Mark
এই সুবিধা নথকাকৈ সাধাৰণভাবেও হেণ্ডীপ্লাস্ট পোৱা যাব।
HTA 1549



পৰ্যটন বিভাগ, ভাৰত চৰকাৰ


চোৱাঁ সোৱা, সাৰেং চৰাইবোৰ আহিছে।
কিন্তু সিহঁত দেখোন নমা নাই। সিহঁত উৰিহে গৈছে হবলা।
ৰা ম্বা হে! হো! হা! হো!
হো! হো!
পৱম, বলা মোৰ লগত। এই অতপালি বন্ধ কৰাব লাগিব।
ডাঙৰীয়া, অনুগ্ৰহ কৰি হৈ-হাল্লা বন্ধ কৰকচোন। চৰাইবোৰ ভয় খাই গুচি গৈছে।
!!
ইস্ ডাঙৰীয়া! কিহৰ ডাঙৰীয়া অ'? শুনক, আপোনালোকে যদি এতিয়াই এইবোৰ বন্ধ নকৰে জে'লৰ ভাত খাব লাগিব কিন্তু। মই কলোঁ এবা!
তেওঁ ঠিকেই কৈছে। আইনত আছে যে—
আইনততো ঠিকেই আছে। কিন্তু আমি সকলোৱে মিলি কিবা এটা কৰিলে এবো নহব।
তোমালোকে এইমাত্ৰ তাৰেই প্ৰমাণ দিলা...
বাহ! চৰাইবোৰ ঘুৰি আহিছে। কিমান যে গহীন... কিমান যে ধুনীয়া... সিহঁত নামিছে...।
ধন্যবাদ! সাহসী মইনাহঁত!
আমাৰ সংকল্প
আহক ভাৰতক শুৱনিকৈ ৰাখোঁ
তোমালোকেও আমাৰ পাৰিপাৰ্শ্বিকতাক অবুজ মানুহৰ হাতত নষ্ট হোৱাৰ পৰা বচোৱা উচিত। আমি মিলি-জুলি কাম কৰিলে ভাৰতৰ অপাৰ সৌন্দৰ্য্যক চিৰ যুগমীয়া কৰি তুলিব পাৰিম হক।

HTA 6401 ASS

চান্দমামা

নভেম্বাৰ ১৯৮৯

এই সংখ্যাত আছে

অমৰ-বাণী	:	৭
সম্বাদ-বি-সম্বাদ	:	৯
ভগীয়া জোতা	:	১০
তালৰ তলৰ গাখীৰ	:	১১
দস্যু যুৱৰাজ	:	১৫
প্ৰকৃত প্ৰেমিক	:	২৩
কাক কি লাগে	:	২৯
চান্দমামা ক্ৰোড়পত্ৰ	:	৩৩
নেহৰু-উপাখ্যান-৮	:	৩৭
দিহাৰ দোকান	:	৪১
কৃষ্ণাৱতাৰ	:	৪৫
নাহৰতকৈ সুকাঠী	:	৫৩
দানিপৰা দানপত্ৰ	:	৫৭
প্ৰকৃতিৰ বিস্ময়	:	৬৩

চান্দমামা

খনে : ৩০.০০ মাথোন

বছৰেকীয়া বৰঙণি

৩৬.০০ টকা মাথোন

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

এই সংখ্যাৰপৰা আৰম্ভ হ'ল নতুন ধাৰাবাহিক — 'দস্যু যুৱৰাজ'। বিচাৰ-বিবেচনা-উত্তেজনা-ৰহস্য আৰু শৌৰ্য্য-বীৰ্য্যেৰে জীপাল-জীৱন্ত এই অভাৱিত আকৰ্ষণীয় কাহিনী পঢ়ি পাঠক-পাঠিকাসকলে প্ৰকৃততেই ৰোমাঞ্চ তথা ৰোমাঞ্চকৰ আনন্দ লাভ কৰিব বুলি আমাৰ দৃঢ় বিশ্বাস। এই সংখ্যাৰ অন্যান্য গল্প-কাহিনীও যে সমানেই আকৰ্ষক, সেই কথা কোৱা বাহুল্য মাথোন। সদৌটিলৈ শুভেচ্ছাৰে।

অমৰবাণী

হস্তী হস্ত সহস্রেণ শতহস্তেন বাজিনঃ।
শৃঙ্গিণো দশহস্তেন স্থান ত্যাগেন দুৰ্জনঃ॥

[হস্তীৰ হাতৰপৰা এহেজাৰ হাত আঁতৰত. ঘোঁৰাৰ হাতৰ-পৰা এশ হাত, আৰু শিঙাল জন্তু-জানোৱাৰৰপৰা দহ হাত আঁতৰ হৈ থকা উচিত ; কিন্তু যিঠাইত দুৰ্জন আছে, সেই ঠাইৰপৰা চিৰকালৰ বাবে আঁতৰ হোৱাটোহে বিধেয়।]

বছৰ ঃ ১৪ নভেম্বাৰ ১৯৮৯ **সংখ্যা ঃ ৮**

খনে ঃ ৩'০০ টকা ঃ ঃ বছৰেকীয়া বৰঙণি ঃ ৩৬'০০ টকা

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

চান্দমামাৰ সম্বাদ-বি-সম্বাদ

ফুলি থকা ফুলটোৰ ফালে!

কোৱা হয় যে পৃথিৱীত বিগত দহ কৌটি [১০০, ০০০,০০০] বছৰৰপৰা ফুল ফুলি আছে। কিন্তু জাৰ্মান বিজ্ঞানীসকলে প্ৰমাণ কৰি দেখুৱাইছে যে পৃথিৱীত আনকি ত্ৰিছ কৌটি [৩০০,০০০,০০০] বছৰৰ আগেয়েও ফুল ফুলিছিল!

অধিষ্টকদেৱ!

জৈন ধৰ্মালম্বীসকলে ফেটীসাপক 'অধিষ্টক দেৱ' অৰ্থাৎ 'শুভ বা মংগলকাৰী দেৱতা' বুলি অভিহিত কৰে। ধানবাদৰ ওচৰত থকা জৈনসকলৰ নৱনিৰ্মিত পৰেশনাথ মন্দিৰৰ উদ্বোধনৰ সময়ত মন্দিৰৰ চূড়াত অকস্মাৎ এটা ১০ ফুট দীঘল ফেটীসাপ বগাই উঠিল আৰু উদ্বোধন-অনুষ্ঠানৰ অন্ত নপৰালৈকে ফেঁট মেলিয়েই থাকিল।

'জনগণমনঅধিনায়ক'!

'ইউনেস্ক'ই সম্প্ৰতি প্ৰকাশ কৰা তথ্যত কোৱা হৈছে যে পৃথিৱীৰ অনুবাদ কাৰ্য্যৰ প্ৰথম শাৰীত মিকি মাউছ, দ্বিতীয় হ'ল লেনিন, তৃতীয় স্থানত আগাথা ক্ৰিস্টি, আৰু চতুৰ্থতঃ বাইব্ল্ [বাইবেল]।

কণমানি কম্পিউটাৰ

এক ইঞ্চিতকৈয়ো পাতল হাতৰ মুঠিত লুকুৱাব পৰা বা জেপত পেলাই থ'ব পৰা কণমানি কম্পিউটাৰ সম্প্ৰতি নিৰ্মাণ কৰা হৈছে। সাধাৰণতঃ টেব্‌ল-কম্পিউটাৰে [মেজৰ ওপৰত থোৱা ডাঙৰ আকাৰৰ কম্পিউটাৰ] যি কাম কৰে, এই কণমানি কম্পিউটাৰেও সেইখিনি কৰিব পাৰে।

ভগীয়া জোতা

একেটা ঘৰতে দুই কিৰ্পিণ, ৰান্ধে-বাঢ়ে খাল-লয় আৰু বেহাই কটায় ৰাতি-দিন। এটা কিৰ্পিণে বেহায় চুড়ি-খাৰু যত মণিয়াৰী, আনটো কিৰ্পিণে সুতত দিয়ে টকা ধাৰলৈ বন্ধকত লৈ বাচন-বৰ্তন ইটো-সিটো গহনা-গাঠৰি।

এদিন চুড়িৱলাই ক'লে বন্ধকীক, "কওঁনে এটা কথা— ? আমি দুয়ো মিলি. দি আধা আধা, কিনোচোন এযোৰ ভগীয়া জোতা।"

বন্ধকীয়ে ক'লে, "পিন্ধিবনো কোনে, এযোৰ জোতা কিনিম যে দুজনে ?"

ক'লে খাৰুৰ বেহেৰুৱাই. "দুয়ো পিন্ধি যাম, যিজন যেতিয়া ওলাম।"

বন্ধকীয়ে বুজা-সুবুজাৰ ছয়া-ময়াতে হয় দিলে, আৰু মণিয়াৰীয়াই জোতা এযোৰ কিনি আনিলে। তাৰ পাছত — চুক্তি মতে — মণিয়াৰীয়াই নিতৌ পুৱা চুড়ি-খাৰু আন কত কি বেহাবলৈ যায়. জোতা পিন্ধি ওলায়। দিন-মাহ-বছৰ ঘূৰে ; কিন্তু মণিয়াৰীয়াৰ মস্ত ভৰিৰপৰা এপৰ-দুপৰ ৰাতিৰ আগে জোতাযোৰ নাতঁৰে। বন্ধকীৰ কাম ঘৰত বহি বহি, সি কেৱল দেখে — জোতা যায় যে ক্ৰমাত জহি-খহি। সি বন্ধকীয়ে নোলায়-নেযায় ক'লৈকো, আজিপৰ্য্যে নহ'ল এদিন জোতা পিন্ধিবলৈকো।

কিন্তু কৰিবনো কি ? এধাএধি জোতা কিনাৰ চুক্তি আছিল যি, লাগিব তাক মানিব, কেনেকৈনো খং জাৰিব ? ভাবি ভাবি ভাবি ভাবি—উপায় এটা ওলাল। দুপৰ ৰাতি জোতা পিন্ধি বন্ধকীয়ে ওৰে ৰাতি খাই থাকিল পাক ঘৰ-বাৰী-চোতাল। আৰু তাৰ ফলত—বন্ধকী আৰু মণিয়াৰীৰ দিনে-নিশাই অত্যাচাৰত জোতা পৰিল ৰণত। এদিন দুয়ো কিৰ্পিণেই বুলি হৰি হৰি—আকৌ হ'লগৈ শুদা ভৰি।

কেদিনমানৰ পাছত. চুড়ি-খাৰুৰ বেহেৰুৱাই ক'লে, "দোস্ত, লওঁনে আকৌ জোতা এযোৰ এধাএধি কৰি ?"

"নেলাগে মোক জোতা, নক'বা মোক কদাপি সেই কথা।" বন্ধকীয়ে ক'লে।

"কেলে' ? কি হ'ল বাৰু— ?" আচৰিত হৈ সুধিলে সি নমাই চুৰি-খাৰু।

"কিমাননো মই কটাম উজাগৰে ? খাৰাপ হৈ গ'ল মোৰ আধা মাথা, আগৰপৰা নাজানি এই এধাএধি জোতাৰ গুৰিকথা।" বন্ধকীয়ে ক'লে, "জোতা পিন্ধি ৰাতি জাগিম কেলে' ?"

তালৰ তলৰ গাখীৰ

এসময়ত কুবেৰ নামৰ এজন বেপাৰী ৰত্নগিৰিত বেহা-বেপাৰ কৰিছিল। দুৰ্ভাগ্য-ক্ৰমে বেহা-বেপাৰত কুবেৰৰ ঢেৰ লোকচান হ'ল আৰু তেওঁ বৰ দুশ্চিন্তাত পৰিল।

কুবেৰৰ দুৰ্ভাগ্যৰ কথা শুনি এজন জ্যোতিষীয়ে কুবেৰক ক'লে, "সন্থহতে—দেখিছোঁ—এই চহৰখন আপোনাৰ পক্ষে অনুকূল নহয়; আপুনি সাগৰ পাৰ হৈ বিদেশলৈ যাওক আৰু কিছুদিন তাত থকাৰ পাছত পুনৰ উভতি আহক। তেতিয়া আপোনাৰ ভাগ্যৰ সম্পূৰ্ণ সলনি হ'ব।"

কুবেৰৰ একমাত্ৰ পুত্ৰৰ নাম আছিল সমীৰ। এনেয়ে সি বৰ বেয়া ল'ৰা নাছিল; কিন্তু সি সৰহখিনি সময় মদপী আৰু জুৱাৰীবোৰৰ সৈতে কটাইছিল।

সাগৰ-যাত্ৰালৈ ওলোৱাৰ আগে আগে কুবেৰে তেওঁৰ পুতেকক ক'লে, "বোপা, মই বেপাৰৰ মনেৰে বিদেশলৈ ওলাইছোঁ। মই উভতি নহালৈকে মোৰ এই সকস্থুৰা কাৰবাৰৰ চোৱা-চিঁতা কৰিবা।"

সমীৰে তাৰ দেউতাকৰ কথাত হয় কৰিলে; কিন্তু তাৰে কুবেৰ তুষ্ট নহ'ল। কুবেৰে পুনৰ ক'লে, "তুমি যে বুদ্ধিমান ল'ৰা, মই জানো; কিন্তু বেয়া মানুহৰ লগ-সংগও বেয়া। তুমি সেইবোৰ মদপী আৰু জুৱাৰীক পৰিত্যাগ কৰা।"

দেউতাকৰ কথাত আচৰিত হৈ সমীৰে সুধিলে, "দেউতা, মই এই কথাটো বুজা নাই যে—ইমান দিন ধৰি চুপচাপ থকাৰ অন্তত আজি এইবোৰ কথা কিয় কৈছে মোক। আজি কোৱাৰ আঁৰত কিবা বিশেষ কাৰণ আছেনে?"

'বসুন্ধৰা!'



“হয়, বোপা, আছে। আৰু—আছে বুলিয়েইহে তোমাক আজি বুজাবলগীয়া হৈছোঁ। এতিয়ালৈকে তুমি কেৱল ঘৰৰ এটি ল'ৰা হৈ আছিলা, আজি তোমাৰ ওপৰত দায়িত্ব অৰ্পিলোঁ।” কুবেৰে গহীন ভাৱে পুতেকক ক'লে।

“দেউতা, মোৰ সেই মদপী-জুৱাৰীহঁতৰ লগত বন্ধুত্বৰো কিছুমান কাৰণ নথকা নহয়। প্ৰথম কথা হ'ল—সিহঁতেই মোৰ সৰুকালৰ বন্ধু। এতিয়া সিহঁত কিছু আওবাটীয়া হ'ল বুলিয়েই সিহঁতক এৰি গুচি যোৱাটো ধৰ্ম-বিৰুদ্ধ কাম হ'ব। দ্বিতীয় কাৰণ হ'ল যে—সিহঁতৰ তুলনাত মইহে সকলো ফালতে বুদ্ধিমান। সিহঁতেও সদায় মোৰ গুণৰ শলাগ লয়। মোক মানে, গণে, আনকি—মই সিহঁতক এৰি যাওঁ বুলি ভয়ো কৰে। সিহঁতৰ এই ভাৱ-ভংগীয়ে মোক আনন্দিত কৰে। তৃতীয় কাৰণো শুনি থওক দেউতা—সিহঁতে বাজী মাৰি কৈছে যে এনে অসৎ-সংগত থাকি থাকি ময়ো এদিন-নহয়-অৱশ্যেই অসৎ—তথা অপহৃতা অসুৰা এটা হ'মেই হ'ম। কিন্তু সিহঁতৰ এই ধাৰণাক মই ভুল বুলি প্ৰমাণ কৰিহে এৰিম।”

দেউতাক কুবেৰে নিৰৱে হাঁহি মাৰি ক'লে, “হওঁতে—কথাখিনি ঠিকেই কৈছা। কিন্তু সিহঁতৰ লগত তোমাৰ উঠা-বহা দেখোন ঢেৰ দিন হ'লেই। এই কথাটি মনত ৰাখিবা—'ভেশ চাই ভকত'। তুমি যেন সংগ কৰিবা, সমাজতো তেন মান পাবা। এতিয়া তুমি পৰিয়াল এখনৰ এজন অতি দায়িত্বপূৰ্ণ ব্যক্তি হৈছা, এই-বোৰ লগ-সংগ এৰিবৰ হ'ল। তালছৰ তলত বহি গাখীৰ খালে কি হয়—কথাটো জানাই নহয়?”

কিন্তু সমীৰে এতিয়া 'নাজানো' বুলি কয় যদি—দেউতাকে ক'ব যে — 'এই সামান্য কথাটোও তই নাজাননে?' —সেই কাৰণে সমীৰ সাপও মৰক লাঠিও

নাভাঙকৈকে মনে মনে থাকিল।

তাৰ পাছত কুবেৰ এদিন বিদেশলৈ ৰাওণা হ'ল বেপাৰ কৰিবলৈ।

এদিন সমীৰে এলোটা গাখীৰ লৈ গাঁৱৰ এমূৰত থকা তাল এজোপাৰ তলত বহি গাখীৰ পি-খাবলৈ ধৰিলে। কিন্তু— গাখীৰৰ সোৱাদৰ কোনো হেৰ-ফেৰ নোহোৱাত সি ভাবি থাকিলঃ তেনে-হ'লেনো — দেউতাই কিয় এই কথা কৈছিল? তালৰ তলত বহি খোৱা গাখীৰৰো সোৱাদ দেখোন একেই।

কিন্তু কিছু দূৰৰপৰা তালৰ তলত বহি কিবা পি-খোৱা দেখা-পাই সমীৰৰ চিনাকি মানুহ এজনে সমীৰৰ মাকক ক'লেগৈ, "আজি, তোমাৰ ল'ৰাটোৱে তালৰ তলত বহি তাড়ি [লাওপানী] খাই থকা দেখিলোঁ। বেয়াৰ লগত থাকি থাকি আৰু ক'ৰ ভালটো হ'ব সি? পিছে—দেউতাৰ ঘৰত থকালৈকে তাড়ি-মদ-ভাং নোখোৱাকৈ আছিল মাত্ৰ। এতিয়া সি এৰাল খোৱাটো হ'ল, এতিয়া আৰু কাকনো সি পৰোৱা কৰিব?"

শুনি—সমীৰৰ মাকৰ বুকু জুৰাবৰ ঠাই নোহোৱা হ'ল। তেওঁ হুৰাওৱাৰে কান্দি থাকিল। আৰু—কোনোবা এজনে এই কথা সমীৰক ক'লেগৈ।

এই মানুহজনক সমীৰে ক'লে, "তুমিয়েই চোৱাচোন, মই তাড়ি-মদ খাইছোঁনে? মই গাখীৰহে খাইছোঁ।"

"অঁ! হয়নে?" এই বুলি কৈ, মানুহজনে হাঁহি মাৰি তাৰপৰা গুচি গ'ল। লগে লগে সমীৰেও লোটাৰ ভিতৰত থকা অলপমান গাখীৰ লৈ ঘৰ পালেগৈ।

মাকে তেতিয়াও কান্দিয়েই আছিল। সমীৰে মাকক গাখীৰৰ কথাত পতিয়ন নিয়াবলৈ চেষ্টা কৰিও ব্যৰ্থ হ'ল। মাকে কন্দা-কটা এৰি কেটেৰ-জেঙেৰকৈ কৈ উঠিল, "মই ইমান দিন ধৰি ভাবিছিলোঁ যে—তই কেৱল বেয়াবোৰৰ লগত এনেয়ে

উঠা-বহা কৰিছ। আজিহে মই ভালকৈ বুজিলোঁ যে — ছাই খাবলৈ গৈ তই হৰিণাহে ফান্দত পৰিলি!"

"মা, চোৰাচোন লোটাটোত কি আছে, তাড়িয়েই আছেনে গাখীৰ, অলপ-মান চাকিয়ে চোৱাচোঁ।" সমীৰে কোমল মাতেৰে ক'লে।

"সেইবোৰ মোক নালাগে। গাখীৰ খাবলৈ তই তালৰ তলত বহাৰ কি দৰ্কাৰ। গাখীৰ—ঘৰতে খাব নোৱাৰনে?" মাকে পুতেকক ক'লে।

"মা, মোক ক্ষমা কৰা! মই এইবোৰ একো নভবাকৈয়েই মই তালৰ তলত বহি গাখীৰ খাই আছিলোঁ। চোৱা, এয়া চোৱা, বাকীখিনিও খাইছোঁ।"

সমীৰে লোটাত থকা গাখীৰখিনি পি খাবলৈ ধৰোঁতেই তাৰ মাকে লোটাটো দলিয়াই পেলাই কৈ উঠিল, "যোৱা যোৱা—তাড়ি-মদ ইমান খাবৰ মন যদি—তালৰ তললৈকে যোৱা। মই ঘৰত এইবোৰ বৰ্দাস্ত নকৰোঁ।"

তিমানতে মেকুৰী এজনীয়ে লোটাৰ-পৰা মজিয়ালৈ পৰা গাখীৰখিনি চেলেকি খালে। খোৱাৰপাছত—মেকুৰীজনীৰ কি হ'ল কোৱা টান—টলংভটংকৈ তাৰপৰা গুচি গ'ল।

সমীৰৰ মাকে পুনৰ কৈ উঠিল, "তোৰ দেউতাৰে তোক পোনাই থৈ যোৱাহেঁতেন আজি মদপী-জুৱাৰীহঁতৰ লগ লাগি ইমান তললৈ নানামিলিহেঁতেন। এতিয়াও সময় পাৰ হৈ যোৱা নাই, সেই বদমাছবিলাকৰ লগ এৰি বেহা-বেপাৰত মন পুতি লাগ কৈছোঁ।"

তেতিয়াহে সমীৰে বুজি পালে যে—তালৰ তলত বহি গাখীৰ খালেও মানুহে লাওপানী খোৱা বুলিয়েই ভাবিব।

এই সাৰ কথা বুজি পাই সিদিনাৰে-পৰাই সমীৰে কু-সংসৰ্গ এৰিলে।



দস্যু যুৱৰাজ

১

সেউজীয়া
গছে-বনে ভৰপূৰ
পাহাৰৰ নামনিত শান্তিৰ
ৰাজ্য শান্তিপুৰ। নামো
শান্তিপুৰ, ধামো শান্তিৰ। শান্তিৰ
পুৰ অৰ্থাৎ নগৰ—বহু বহু কালৰ প্ৰাচীন।
প্ৰাচীন তাৰ ঐতিহ্য, প্ৰাচীনতম ৰাজ্য, আৰু প্ৰাচীন তাৰ
কাৰ্য্যধাৰা। ৰজা আহে ৰজা যায়; কিন্তু শান্তিৰ পুৰত
শান্তিৰ নিজৰা বয়, শান্তিৰ যহতে শান্তিপুৰৰ জয় জয় মৰ মৰ।
ৰাজ্যৰ বৰ্ত্তমান ৰজা শান্তিদেৱ। শান্তিদেৱ হ'ল প্ৰজাবৎসল
ৰজা, চুবুৰীয়া ৰাজ্যৰ ৰজাসকলৰ দৃষ্টিতো আদৰ্শ ৰজা। শান্তিদেৱ ৰজাৰ ৰাজ্য
শান্তিপুৰত অশান্তিৰ লেশো নাই, নাই প্ৰজাৰ কোনো অভাৱ-অভিযোগ, ৰাজ্যৰ
সকলোতে শান্তিৰ বা বলিছে আৰু প্ৰজামংগলকাৰী কৰ্মৰ সোঁতনা চলিছে। ৰজা
শান্তিদেৱৰ প্ৰজাকল্যাণী আঁচনিসমূহ আনকি চুবুৰীয়া
ৰাজ্যৰ ৰজাসকলেও নিজ নিজ ৰাজ্যত
প্ৰয়োগ কৰিছে আৰু
ৰজা শান্তিদেৱৰ নামত
জয়ধ্বনি দিছে।

এদিন এইবোৰ কথাৰ আলোচনা কৰি থাকোঁতে শান্তিপুৰ ৰাজ্যৰ সেনাপতি বীৰসিংহই ৰজা শান্তিদেৱক ক'লে, "মহাৰাজ, ৰাজ্যৰ সম্পদ বৃদ্ধিৰ সহজ উপায় হ'ল প্ৰতিবেশী ৰাজ্য আক্ৰমণ। প্ৰতিবেশী ৰাজ্যক আক্ৰমণ কৰিলে একেটা দলিৰে দুটা চৰাই মাৰিব পৰা হ'ব। ৰাজধনো আমাৰ অধিকাৰলৈ আহিব, আৰু ৰাজাৰ সমস্ত সা-সম্পদো আমাৰ হ'ব। মোৰ প্ৰস্তাৱটো ভাবি চাব পাৰে।"

মহাৰাজ শান্তিদেৱে মিচিকীয়াই হাঁহি মাৰি ক'লে, "বীৰসিংহ, এই বাট হ'ল আও বাট। প্ৰতিবেশীক অন্যায় আক্ৰমণ কৰি লুটপাত কৰি পোৱা সা-সম্পদ কেতিয়াও নাথাকে। আৰু উদক দেখি বোন্দাই ডুবিউৰাৰ দৰে—আমাক লুটপাত কৰা দেখি পাছত আমাৰ প্ৰজায়েই আমাকো লুটপাত কৰিব। সিহঁতে শ্ৰম কৰাৰ পৰিৱৰ্তে চুৰি-ডকাইতিৰে বৰ্তি থাকিবলৈ বিচাৰিব। তদুপৰি, এবাৰ এই অন্যায় কামত সফলতা আৰ্জিলে আৰু কথাই নাই—আমিও সদায় যুদ্ধ-পৰৰাজ্য আক্ৰমণ আদিতে লাগি থাকিম। আৰু—আৰু এটা কথাও আছে। আন দেশ আক্ৰমণ কৰিলে আমি যে জিকিমেই—তাৰনো নিশ্চয়তা কি? আমি যদি পৰাজিত হওঁ, শত্ৰুৱে আমাকো লুটপাত নকৰাকৈ এৰিবনে? ঠিক আছে; আমি সদায় বিজয়ী হ'ম বুলিয়েই ধৰি ল'লোঁ; কিন্তু—পৰাজিত ৰজাসকলে আমাকো শিকনি দিবলৈ টিকনিত ধৰি ঘূৰাবলৈ নিবিচাৰিবনে বাৰু? পৃথিৱীৰ ইতিহাসে আমাক কয় যে—যুদ্ধই মানৱক দানৱ কৰি তোলে।"

"মহাৰাজ যদি যুদ্ধয়েই নাই-নকৰোঁ, তেনেহ'লেনো সৈন্যবাহিনী কিহলৈ?" সেনাপতি বীৰসিংহই অলপ গৰম হৈয়েই মহাৰাজ শান্তিদেৱক ক'লে।

"সৈন্যবাহিনী হ'ল—শত্ৰুৰ আক্ৰমণৰ

পৰা ৰক্ষা পৰিবলৈ। পিছে—মোৰ মতে সৈন্যবাহিনীৰ নিৰৰ্থকতা উপলব্ধি কৰি জগতৰ সকলো ৰজায়েই সৈন্যবাহিনীক যথাসম্ভৱ সীমিত কৰা আৱশ্যক। যুদ্ধই যে কিমান জনক্ষয়-ধনক্ষয় আৰু মূল্যৱান কালক্ষয় কৰে, তুমি জানাই। যুদ্ধক নিৰ্মূল কৰিব পাৰিলে আমি আমাৰ ধন-সম্পদ জনকল্যাণমূলক কামত খটুৱাব পাৰোঁ।” মহাৰাজ শান্তিদেৱে তেওঁৰ সেনাপতিক সুন্দৰকৈ বুজাই দিলে কথাবোৰ।

“ক্ষমা কৰিব মহাৰাজ! আপুনি দেখিছোঁ — শান্তিৰ সপোনতে বিভোৰ হৈ আছে। কিন্তু আপোনাৰ এই সপোন—দিঠক হোৱাৰ সম্ভাৱনা—পৰ্বতত কাছকণী বিচাৰি পোৱাৰ দৰেই দুৰূহ। —মহাভাৰতৰ কথাকে ধৰক, সেই মহাকাব্য এক বিশাল যুদ্ধৰ মহাকাব্য নহয়নে?” বীৰসিংহই বী-বিয়ালে।

সেনাপতি বীৰসিংহ মহাৰাজ শান্তিদেৱৰ কেৱল আত্মীয়েই নাছিল, সৰুকালৰ বন্ধুও। এই কাৰণে বীৰসিংহই মহাৰাজৰ লৈতে খোলাখুলিকৈ কথা পাতিব পাৰিছিল। ৰজাক তুষ্ট কৰাৰ কষ্ট তেওঁ চেষ্টা কৰি কৰিবলগীয়া নহৈছিল। ৰজায়ো বীৰসিংহৰ স্পষ্ট কথাত কষ্ট নহৈছিল।

“বীৰসিংহ, মই যে সপোন দেখিছোঁ—তোমাৰ সেই কথা ঠিক। ভণ্ড-কপটৰ দৰে অবাবতে আনৰ ডিঙি কটাৰ চিন্তা কৰাতকৈ আপাত-অৰ্থহীন সপোন দেখাও ভাল। আৰু সেই কাৰণে—আমাৰ সৈন্যবাহিনী প্ৰজা মংগলকাৰী ৰূপে গঢ়ি উঠক — এয়ে মোৰ ইচ্ছা। আমাৰ সৈন্যবাহিনীয়ে যি ঠাইত প্ৰয়োজন খৰস্ৰোতা নৈৰ ওপৰত দলং নিৰ্মাণ কৰিব-য'ত নৈ-খাল নাই তাত খাল খান্দি দিব। আমি আৰু আমাৰ সৈন্যবাহিনীয়েও ৰাজ্যৰ বাটৰ দুয়োকাষে বৃক্ষৰোপণ কৰিব, খেতি-পথাৰতো অধিক উৎপাদনৰ বাবে আমাৰ কৃষকক আমাৰ সৈন্যবাহিনীয়ে সহায়



করিব ।” এনেবোৰ বহুত কথা ৰজা শান্তিদেৱে কৈ থাকিল।

বীৰসিংহই মহাৰাজৰ কথাৰ মাজত কৈ উঠিল, “মহাৰাজ, আপুনি একেবাৰে নাশ্ৰুত-নাভূতবোৰকে কৈছে। মই আজিয়ে আমাৰ সৈন্যবাহিনীক ক'মগৈ যে সিহঁতে গাখীৰ খীৰাবলৈ গুৱালক সহায় কৰকগৈ, আৰু ঘৰলৈ গৈ তিৰোতাহঁতৰ কামতো হাত উজান দিয়কগৈ। সৈন্যৰ শিক্ষা-দীক্ষা অৰ্থহীন। আমাৰ সৈন্যসংখ্যা হ্ৰাস কৰিবলৈ আপুনি কিবা এটা আঁচনি কৰি দিব লাগে।”

বিক্ষুব্ধ বীৰসিংহৰ কথাত মহাৰাজে মৃছকৈ হাঁহিলে। সেনাপতি আছিল বয়সত মহাৰাজতকৈ দুবছৰৰ সৰু। সেয়েহে, মহাৰাজে বীৰসিংহক ভায়েকৰ দৰে মৰম কৰিছিল। বীৰসিংহৰ কঠুৰা কথা শুনিও ৰজা কষ্ট নহ'ল। মহাৰাজে ক'লে:

“বীৰসিংহ, গুৱালক, বা তিৰোতা-হঁতকো সহায় কৰাটো একো বেয়া কাম নহয়। আন মানুহক অকাৰণে বধ কৰি তেওঁলোকৰ ধন-সম্পদ অপহৰণ কৰাতকৈ এই কাম ভাল কাম। তুমি শান্তভাৱে ভাবি চালেই শান্তিৰ মোল কি বুজিবা।”

ঠিক তেতিয়াই মহামন্ত্ৰীও তাত আহি ওলাল, আৰু সেনাপতিও তাৰপৰা গুচি গ'ল, আৰু মহাজেও মহামন্ত্ৰীৰ লগত অন্য কথাৰ আলোচনা কৰিবলৈ ধৰিলে।

সেনাপতি বীৰসিংহই সেই নিশা তেওঁৰ দলপতিক আন কোনেও নুশুনাকৈ ক'লে, “দোস্ত, আমাৰ মহাৰাজে আজিৰ-পৰা তোমালোকক খেতি-পথাৰত কাম কৰিবলৈ কৈছে, চহ কৰিবলৈ কৈছে। আৰু—ঘৰৰ তিৰোতাহঁ:ত ৰান্ধি থকাৰ সময়ত তোমালোকে চৌকা জ্বলাই দিবা, শাক-পাচলি কাটি-কুটি দিবা, লাগিলে ৰান্ধিবা-বাঢ়িবা। দেশৰক্ষাতকৈ হেনো এইবোৰ কাম অধিক গুৰুত্বপূৰ্ণ আৰু আকৰ্ষণীয়। আন্তিৰ ভঁৰালী মহাৰাজ

শান্তিদের শান্তিৰ সপোনত বিভোৰ হৈছে আৰু ৰাজ্যৰপৰা যুদ্ধক বৰ্বাদ কৰিবখুজিছে।”

শুনি দলপতিৰ চকু কপালত উঠিল। খন্তেকমান চুপ হৈ থকাৰ অন্তত বীৰসিংহই পুনৰ কৈ থাকিল, “দোস্ত, আমি সৈনিকৰ শিক্ষা গ্ৰহণ কৰিছোঁ, সাহসেই আমাৰ জীৱন, আৰু তৰোৱাল-চালনা হ'ল আমাৰ প্ৰধান কৰ্তব্য। আমি আমাৰ তৰোৱাল মামৰত ধৰিবলৈ দিমনে?”

“নহয়, কেতিয়াও নহয়” সকলো সৈন্যই একেলগে গৰ্জি উঠিল।

“আৰে—তোমালোকে ইমান জোৰেৰে নিচিঁয়ৰিবা। বেৰ-চালৰো চকু-কাণ থাকে যে নাজানানে কি? কেনেবাকৈ এইবোৰ কথা মহাৰাজৰ কাণত পৰিলে হৈছে আৰু—। গতিকে—লাহে লাহে কোৱা।” বীৰসিংহই সৈন্যহঁতক সাৱধান কৰি দিলে।

কিন্তু চোৰাংচোৱাহঁতে ৰজাক কথাটো নোকোৱাকৈ নাথাকিল; যদিও—ৰজাই এই কথাত বৰ গুৰুত্ব আৰোপ নকৰিলে। আৰু চোৰাংচোৱাহঁতে বীৰসিংহৰ এইবোৰ কথাত 'ষড়যন্ত্ৰ' বুলি আখ্যা দিয়াত ৰজাই মনে মনে হাঁহিলে মাথোন। সেনাপতি বীৰসিংহৰ তেওঁৰ আত্মীয়, আৰু বন্ধুও। বীৰসিংহই তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাটো হাঁহিউঠা কথা। আৰু যুৱৰাজৰো এতিয়া দ্বিতীয় জন্মদিনৰ উছৱ পাতিবৰ হ'ল। খোৱা-বোৱা, নৃত্য-গীত, আৰু লগতে জুইবাজী আদি কত কি যে নহ'ব! আৰু এইবোৰৰ বাৱস্থা-বন্দৱস্তৰ বাবে শই শই কৰ্মচাৰীক নিযুক্ত কৰা হৈছে। যুৱৰাজৰ জন্মোৎসৱৰ অতন্তহে বীৰসিংহৰ সৈতে এই বিষয়ে কথা পাতিব পৰা হ'ব তেওঁ।

আজি যুৱৰাজৰ জন্মদিন পালিত হৈছে। দুবছৰীয়া যুৱৰাজক কোলাত লৈ ৰাণী উচ্চাসনত বহি আছে, আৰু তেওঁৰ পিছ ফালে থিয় হৈ আছে তেওঁৰ অসংখ্য সখিয়েক। সখিয়েকহঁতে হাঁহি হাঁহি কথা পাতি আছে ৰাণীৰ সৈতে।



শ' শ' নৰ-নাৰীয়ে যুৱৰাজৰ শুভ কামনা কৰি জয়ধ্বনি দিছে।

বহু সময় ধৰি এনেকৈ বহি থকাত ৰাণীৰ কষ্ট হৈছিল। তথাপি ৰাণী বহিয়েই আছিল। তাৰ পাছত, ৰাতিৰ পৰতে শিশু যুৱৰাজক লৈ ৰাণী অন্তেষপুৰলৈ তথা শয়নকক্ষলৈ গ'লগৈ।

তাৰ পাছত চলি থাকিল জুইবাজী-নৃত্য-গীত। সিদিনা অন্তেষপুৰৰ দুৱাৰ ৰাইজৰ বাবে খুলি দিয়া হৈছিল।

ৰাণীয়ে নিদ্ৰা দিবলৈ যো-জা কৰি থাকোঁতেই অকস্মাৎ মহাৰাজ প্ৰায় ধুমুহাৰ গতিৰে শয়নকক্ষলৈ সোমাই আহিল। এই দৰে মহাৰাজ সোমাই অহাত বিস্মিত। মহাৰাণীয়ে মহাৰাজক ক'লে, "মহাৰাজক বৰ পৰিশ্ৰান্ত যেন লাগিছে।"

মহাৰাজে ৰাণীৰ এই কথাৰ একো উত্তৰ নিদিয়াকৈ অদূৰত ৰৈ থকা লিগিৰী-হঁতলৈ চালে, আৰু লিগিৰীহঁত নিমিষতে তাৰপৰা নোহোৱা হ'ল।

"কথানো কি, মহাৰাজ?" মহাৰাণীয়ে ব্যগ্ৰ হৈ সুধিলে।

মহাৰাজে তৎক্ষণাৎ শয়নকক্ষৰ দুৱাৰ বন্ধ কৰি কপালৰ ঘাম মচি ৰাণীক ক'লে, "সকলো কথা, সবিস্তাৰে কোৱাৰ সময় এতিয়া নহয়। আমাৰ জীৱন বিপদাপন্ন। তোমাক এতিয়াই ইয়াৰপৰা গুচি যাব লাগিব—এতিয়াই—এই মূহূৰ্ততে।"

মহাৰাণীৰ মূৰত যেনিবা বজ্ৰপাত হ'ল। তেওঁ জানে এই শয়নকক্ষৰ এক গুপ্ত সুড়ংগৰ পথেৰে অটব্য অৰণ্যলৈ ওলাবগৈ পাৰি। মহাৰাজে এই সুড়ংগৰ সন্ধেদ তেওঁৰ পিতা-ককাকৰপৰা জানিছিল। মহাৰাজ শান্তিদেৱে মহাৰাণীক লগত লৈ সেই সুড়ংগৰ বাটেৰে অলপ দূৰ আগুৱায়ো গৈছিল। কিন্তু প্ৰাণ ৰক্ষাৰ কাৰণে এনেকৈ সঁচাসঁচিকৈ যে পলাই যাব লাগিব কাহানিও ভবাই নাছিল।

মহাৰাণীয়ে ভীত-কম্পিত কণ্ঠেৰে



সুধিলে, "মহাৰাজ মই অকলেই যাব লাগিবনে?"

"অকলশৰে নহয়, যুৱৰাজকো লৈ যাব লাগিব।" মহাৰাজে ক'লে।

"আপোনাক ইয়াত এৰি থৈ মই যাওঁনো কেনেকৈ?" ৰাণীয়ে অতি দুঃখ ভাৰাক্ৰান্ত কণ্ঠেৰে ক'লে।

"ৰাণী!" মহাৰাজে বেদনাগধুৰ কণ্ঠেৰে ক'লে, "আমাৰ এই শিশুপুত্ৰৰ কাৰণে তুমি মোক এৰিবই লাগিব।"

এখন্তেক ৰৈ মহাৰাজে পুনৰ ক'লে, "শত্ৰুৱে যদিও মোলৈকে অস্ত্ৰ টোঁৱাইছে, তথাপি, শত্ৰুৰ মূল লক্ষ্য আমি তিনিও। ময়ো যদি তোমাৰ সৈতে গুচি যাওঁ, যেনেতেনে শত্ৰুৱে মোক বিচাৰি উলিয়াই বন্দী কৰিব; কিন্তু মই ইয়াতে থাকি যুদ্ধ কৰি থাকিলে নিশ্চয় কিছুদিনৰ বাবে হ'লেও তোমালোকৰ কথা মনত নানিব।"

তাৰ পাছত মহাৰাজে মহাৰাণীক থোৰতে ক'লে যে সেনাপতি বীৰসিংহই সিংহাসন অধিকাৰ কৰিবলৈ কেনেকৈ ষড়যন্ত্ৰ পাতিছে আৰু যুৱৰাজৰ জন্মোৎসৱৰ হৈ-চৈৰ মাজতে ৰাজ পৰিয়ালৰ সৰ্বনাশ সাধিবলৈ উদ্যত হৈছে। চোৰাংচোৱাৰ যোগেদি জানিব পৰা হৈছে যে অন্তেষপুৰৰ আটাইবোৰ দুৱাৰত বীৰসিংহৰ সৈন্যইঁতে আমাক ধৰিবলৈ ৰৈ আছে; অলপ পাছত যেতিয়া গগনবিদাৰী শব্দৰে জুইবাজী আৰম্ভ হ'ব, তেতিয়া, সেই হৈ-চৈৰ মাজতে তাৰ অনুচৰৰে সৈতে অন্তেষপুৰলৈ সোমাই আহি বীৰসিংহই আমাক খতম্ কৰিব।

"মহাৰাজ, আপোনাৰ দেহৰক্ষীক ইয়াত দেখা নাই যে?" ৰাণীয়ে সুধিলে।

"আতচবাজী, নৃত্য-গীত আদি চাবলৈ ই নিজেই তাক ছুটি দিলোঁ। এতিয়া মই আৰু অন্তেষপুৰ এৰি ওলাব নোৱাৰিম। বীৰসিংহৰ সৈন্যইঁতে দুৱাৰত জোপ লৈ ৰৈ আছে। ইহঁতৰ দৃষ্টিক এৰাই ওলোৱা

অসম্ভৱ। আমি যে ইয়াত দৰাচলতে বন্দী হৈ আছোঁ—বাহিৰত কোনেও গমেই নাপায়।" বিমৰ্ষ কণ্ঠেৰে ৰজাই ক'লে।

"এনে অৱস্থাত আপুনিনো কি কৰিবলৈ বিচাৰে?" ৰাণীয়ে সুধিলে।

"শত্ৰুৰ কবলৰপৰা সাৰিবলৈ চেষ্টা কৰিম। তুমি যদি মোৰ কথা মতে কাম কৰাঁ, তাৰেই আমি আধাখিনি সফলতা আৰ্জিব পাৰিম।" মহাৰাজে ক'লে।

"কিন্তু আপোনাক শত্ৰুৰ হাতত সঁপি ময়ো বা পলাওঁ কেনেকৈ?" মহাৰাণী হটাৎ উচুপি উঠিল।

ৰজাই ৰাণীৰ উচুপনিলৈ মন নকৰি গুপ্তদ্বাৰ তথা সুড়ংগ-দ্বাৰ খুলিবলৈ মন কৰিলে। তাৰ পাছত সেই অন্ধকাৰ সুড়ংগ পথলৈ আঙুলিয়াই মহাৰাজে মহাৰাণীক ক'লে, "ৰাণী, তুমি এহাতেৰে যুৱৰাজক, আৰু আনখন হাতেৰে এই জোঁৰটো লৈ সুড়ংগৰ ভিতৰলৈ যোৱা। এই সুড়ংগৰ প্ৰতি পাঁচশ গজৰ আঁতৰত এটাকৈ উজ্জ্বল মণি আছে, এই কথাটি সদায় মনত ৰাখিবা। সৰ্বশেষ মণিটোত ধৰি দুই-তিনিবাৰ শকাই দিলেই সুড়ংগৰপৰা ওলোৱাৰ দুৱাৰ মেল খাই পৰিব।"

অকস্মাৎ অন্তেষপুৰৰ হৈ-চৈ বন্ধ হ'ল আৰু তাত অখণ্ড নিৰৱতাৰ সৃষ্টি হ'ল।

"ৰাণী, খুব সম্ভৱতঃ বীৰসিংহ আহিব ধৰিছে। এই মুহূৰ্ততে গুচি যোৱা। এই জনমত আৰু দেখাদেখি নহয় যদি—অহা জনমত অৱশ্যেই দেখা পাবা।" মহাৰাজে মহাৰাণীক ক'লে।

সাশ্ৰু নয়নেৰে মহাৰাণী সেই নিমজ এন্ধাৰৰ সুড়ংগৰ দুৱাৰমুখ পুনৰ বন্ধ কৰি দিলে।

লগে লগে ৰজাৰ শয়নকক্ষৰ দুৱাৰত বিৰাট শব্দ উঠিল, আৰু মহাৰাজে চোকৰ তৰোৱাল দাঙি লৈ গম্ভীৰ কণ্ঠেৰে গৰ্জি উঠিল, "কোন—?" [অহা সংখ্যাত

প্ৰকৃত প্ৰেমিক

প্ৰতিজ্ঞাবদ্ধ
ৰজা বিক্ৰমাদিত্য
পুনৰ সেই বিশেষ
গছজোপাৰ ওচৰলৈ উভতি
গ'ল আৰু গছৰ ডালত ওলমি
থকা শ'টো নমাই আনি কান্ধত পেলাই
লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল. "হে ৰজা, নিজৰ শকতি . নাজানি-নগমি কাম কৰিলে কেতিয়াবা অপমান-অপযশ প্ৰাপ্ত হ'ব লাগে। তুমিও নিজৰ শকতিৰ উমান লৈছিলানে নাই, তুমিহে জানা। যি কি নহওক, এই সম্পৰ্কে মই তোমাক এক পিশাচৰ কাহিনী কওঁ শুনা, যিটো পিশাচে জীৱনত পূৰ্ণ সন্তুষ্টি নোপোৱালৈকে ঘৰ নেৰিব বুলি প্ৰতিজ্ঞা কৰিও সামান্য সময়ৰ পাছত ঘৰ এৰি পলাই গৈছিল। এই কাহিনীয়ে আন, একো নিদিলেও তোমাক তোমাৰ পথশ্ৰম পাহৰাই দিব।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে ঃ

'বেতাল-কথা'



সেই তাহানিৰ কথা। তেতিয়াৰ কালৰ হৰপুৰ নামৰ ঠাইত হৰিশৰ্মা নামৰ এজন গায়ক আছিল। হৰিশৰ্মাৰ আছিল চাৰিজন পুত্ৰ—ৰামশৰ্মা, কৃষ্ণশৰ্মা, দেৱশৰ্মা আৰু বিষ্ণুশৰ্মা। পুত্ৰকেইটা তেওঁৰ দৰে গায়ক হওক হৰিশৰ্মাই ইয়াকে আশা কৰিছিল।

এই কথা ভাবি হৰিশৰ্মাই তেওঁৰ পুত্ৰ চাৰিওকে সংগীতৰ শিক্ষা দিলে আৰু সিহঁতক ক'লে, "মই বুঢ়া হৈছোঁ, প্ৰতি-দিনেই চিতাজুইলৈ আগবাঢ়ি গৈ আছোঁ। তোমালোকৰ মাজত অন্ততঃপক্ষে এজনকো মই মোৰ দৰে সংগীতজ্ঞ হিচাপে গঢ়ি তুলিবলৈ বাঞ্ছা কৰোঁ। আমাৰ এই হৰিপুৰৰ শিৰশৰ্মাদেৱেই এই কথাৰ সঠিক নিৰ্ণয় কৰি দিব পাৰিব যে তোমালোকৰ মাজত এই বিষয়ে আটাইতকৈ যোগ্য কোন। তোমালোক তেওঁৰ ওচৰলৈ যোৱা।"

পিতৃৰ ইচ্ছাত চাৰিও ভাই ককাই শিৰশৰ্মাদেৱৰ ঘৰলৈ গ'ল। শিৰশৰ্মাই মনযোগেৰে সিহঁতৰ গীত-মাত শুনিলে আৰু ক'লে, "তোমালোক একেবাৰে সঠিক সময়ত মোৰ ওচৰলৈ আহিছা। এই গাঁৱৰ শেষ সীমাত মোৰ এটা ঘৰ আছে। সেই ঘৰটোত সম্প্ৰতি এটা গায়ক পিশাচে লম্ভিছে। সেই গায়ক পিশাচটোৱে তাত দিনে-নিশাই সংগীতৰ সাধনা কৰে। সি আচলতে এক ডাঙৰ সংগীতজ্ঞ। তাৰ সংগীত বৰ আচৰিতবিধৰ। এই গায়ক পিশাচটোৰ কাৰণে মই মোৰ সেই ঘৰটোক এৰি দিবলগীয়া হৈছোঁ। এই বিষয়ে তোমালোকে মোক সহায় কৰি দিবানে অলপ? মোৰ ধাৰণা হৈছে যে কেৱল কোনোবা ডাঙৰ সংগীতজ্ঞয়েই তাক বশ কৰিব পাৰিব।" শিৰশৰ্মাই চাৰিওকো ক'লে।

চাৰি ভাই ককাইৰ মাজত ৰামশৰ্মা আছিল অধিক সাহসী আৰু প্ৰথমেই গায়ক পিশাচৰ কাষ চাপিবলৈ ৰামশৰ্মা সেই ঘৰটোলৈ গ'ল। গৈ পিশাচটোৱে

শাস্ত্ৰীয় ৰাগ চৰ্চা কৰা দেখা পালে। হাত চাপৰি বজাই ৰামশৰ্মাই কৈ উঠিল, "ওৱাহ! ওৱাহ! তোমাৰ সংগীত অতি অদ্‌ভূত। সাধাৰণ কোনোৱা গায়কে এই ৰাগ গাবই নোৱাৰিব।"

পিশচাটোৱে গান বন্ধ কৰি সুধিলে, "ডাঙৰীয়া, মোৰ সংগীতৰ ৰসগ্ৰহণ— আপুনিনো কেনেকৈ কৰিব পৰা হ'ল? আপুনিও এগৰাকী সংগীতজ্ঞনে বাৰু?"

ৰামশৰ্মাই ক'লে, "হয়। তোমাৰ প্ৰশংসা শুনি মই স্বকৰ্ণে তোমাৰ সংগীত শুনিবলৈ আহিলোঁ।"

গায়ক পিশাচে ক'লে, "বৰ ভাল পালোঁ শুনি। আপুনিও যদি কিবা এটা ৰাগ গাই শুনায়—আৰু ভাল পাম।"

ৰামশৰ্মাই তৎক্ষণাৎ ৰাগ এটা গালে। শুনি পিশাচটোৱে ৰামশৰ্মাৰ সংগীতক শলাগি ক'লে, "চাওক—আপোনাক একো নোসোধাকৈয়েই মই আপোনাৰ মনৰ কথা জানিলোঁ। কিন্তু—মই মোৰ সংগীতৰ বাবে সমুচিত পুৰস্কাৰ নোপোৱালৈকে এই ঘৰ এৰি ক'লৈকো নেযাওঁ।" এই বুলি কোৱাৰ অন্তত গায়ক পিশাচে ৰামশৰ্মাক ৰত্ন এটা উপহাৰ দিলে।

এই পৰলোকগত আত্মাৰদ্বাৰা পুৰস্কৃত হৈ ৰামশৰ্মাই অপাৰ আনন্দ লভিলে। ৰামশৰ্মাই শিৱশৰ্মাক সকলো ক'লেগৈ।

শুনি — দীঘলকৈ হুমুনিয়াহ কাঢ়ি শিৱশৰ্মাই ক'লে, "তুমি পুৰস্কাৰ পালা, হয়; কিন্তু মোৰ কাম নিসিজিল।"

তেতিয়া কৃষ্ণশৰ্মাই কৈ উঠিল, "গায়ক পিশাচটোৱে নিজৰ সংগীতৰ বাবে পুৰস্কাৰলৈ আশা পালি আছেনে কি? মই তাক ভালকৈ পুৰস্কাৰ দিম।"

সিদিনাই ৰাতিৰ পৰতে কৃষ্ণশৰ্মা পিশাচ-গায়ক থকা ঘৰলৈ গ'ল আৰু পিশাচৰ গান শুনি হাত-চাপৰি বজাই ক'লে, "মই মহাসংগীতজ্ঞ পণ্ডিত হৰিশৰ্মাৰ পুত্ৰ কৃষ্ণশৰ্মা। তুমি হ'লা সুৰৰ জগতৰ



সম্রাট। মই তোমাক 'পৰলোকী গায়ক-শিৰোমণি' উপাধিৰে ভূষিত কৰিছোঁ।"

পিশাচ-গায়কে অতি শ্ৰদ্ধাৰে কৃষ্ণশৰ্মাক প্ৰণাম কৰিলে আৰু বিনম্ৰতাৰে ক'লে, "সুদীৰ্ঘ প্ৰতীক্ষাৰ অন্তত মোৰ সংগীতৰ বাবে প্ৰাপ্য পুৰস্কাৰ লাভ কৰি মই গৌৰৱান্বিত বোধ কৰিছোঁ। আপুনি মোক কিবা ৰাগ-ৰাগিণী শুনাই আনন্দ দান কৰিবনে অনুগ্ৰহ কৰি?"

কৃষ্ণশৰ্মাই নিজৰ পছন্দমতে এটি ৰাগ গায়ক-পিশাচক গাই শুনালে।

শুনি পিশাচ-গায়কে ভাল পালে আৰু কৃষ্ণশৰ্মাক ক'লে, "আপোনাৰ এনে অপূৰ্ব সংগীতৰ বাবে এই ৰত্নটি উপহাৰস্বৰূপে লৈ মোক সন্মানিত কৰক। কিন্তু—আপোনাৰ প্ৰদত্ত সন্মান লাভ কৰিও মই যে কিয় সন্তুষ্ট হ'ব পৰা নাই—একো ঠাৱৰ কৰিব পৰা নাই মই। আৰু—পূৰ্ণ সন্তুষ্টি লাভ নকৰালৈকে মই এই ঘৰটো একোপধ্যে এৰি নাযাওঁ।"

কৃষ্ণশৰ্মাৰপৰা ঘটনাৰ কথা শুনি শিৱশৰ্মা মনে মনে থাকিল। তেতিয়া কৃষ্ণশৰ্মাই ক'লে, "মোৰপৰা গীত শুনি পিশাচটোৱে কিজানি বেয়াহে পালে। আৰু সেই কাৰণেই মোৰ প্ৰদত্ত উপাধিৰূপী সন্মানকো সি মনে-চিতে গ্ৰহণ নকৰিলে।"

তেতিয়া দেৱশৰ্মাই কৈ উঠিল, "ভাল, মই সেই ভুলখিনি শুধৰাই ল'ম।"

এইবাৰ দেৱশৰ্মা পিশাচ-গায়কৰ কাষ চাপিল আৰু পিশাচৰ গান একমনে শুনাৰ অন্তত, "তোমাৰ লগত মোৰ ফেৰ মাৰিবৰ মন গৈছে।" এই বুলি কৈয়েই দেৱশৰ্মায়ো গীত জুৰিলে।

দেৱশৰ্মাৰ গীত শেষ হ'লত গায়ক-পিশাচে দেৱশৰ্মাক হিয়া উজাৰি শলাগিলে আৰু তাকো এটি ৰত্ন উপহাৰ দিলে।

ৰত্ন উপহাৰ গ্ৰহণ কৰি দেৱশৰ্মাই পিশাচক ক'লে, "মহাশয়, এই ৰত্ন বিকি যি ধন পাম, তাৰেই মই মোৰ জীৱিকা-

নিৰ্বাহ কৰিম। সংগীতৰ সৰ্বোত্তম পণ্ডিত ব্যক্তি হিচাপে স্বীকৃত হৰিশৰ্মাৰ পুত্ৰ হৈও মই আপোনাৰ ওচৰত ক'বলৈ গ'লে—পৰাজয়হে মানি ল'লোঁ। মই আগলৈ আৰু কাকো গান নুশুনাওঁ।"

এই কথা শুনাৰ অন্তত গায়ক-পিশাচে ক'লে, "হে পণ্ডিতপ্ৰবৰ! আপোনাৰ কথা শুনি মই অৱশ্যেই তুষ্ট হৈছোঁ। কিন্তু আপুনি যদি সংগীত এৰি দিয়ে—মই নিশ্চয়েই বৰ দুখ পাম। এই কামটি আপুনি কদাপি নকৰিব।"

এই কথা কোৱাৰ অন্তত গায়ক পিশাচে সেই ঠাইৰপৰা খোজ ল'লে।

দেৱশৰ্মাৰপৰা সকলো কথা সবিস্তাৰে শুনি শিৱশৰ্মাই ক'লে, "পিশাচ-গায়কক মোৰ ঘৰটোৰপৰা তোমালোকে খেদিব নোৱাৰিবা বুলি মোৰ ধাৰণা হৈছে। পিছে দূৰৰপৰা আহিছাই যেতিয়া—বিষ্ণুৱেও এবাৰ চেষ্টা দি চাওকগৈ।"

বিষ্ণুশৰ্মা যেতিয়া পিশাচ থকা ঘৰলৈ গ'ল, যেতিয়া পিশাচটোৱে গান গাই আছিল। বিষ্ণুৱে পিশাচটোৰ সমুখত চুপচাপকৈ বহি তাৰ গান শুনি থাকিল। পিশাচে গায়েই থাকিল, আৰু বিষ্ণুৱেও শ্ৰীবিষ্ণু বুলি কৈ শুনিয়েই থাকিল।

গান শেষ হোৱাৰ অন্তত গায়ক-পিশাচে যেতিয়া বিষ্ণুশৰ্মাক তাত বহি থকা দেখা পালে, তেতিয়া পিশাচ-গায়কে অবাক

হৈ সুধিলে, "আপুনি !"

বিষ্ণুশৰ্মাই ক'লে, "কিনো পৰিচয় দিওঁ ? কলাকাৰ এগৰাকীৰ পৰিচয় কলাৰেহে দিব লাগে।" এই বুলি কৈয়েই বিষ্ণুৱে গীত জুৰিলে।

বিষ্ণুশৰ্মাৰ সংগীত শেষ হোৱাৰ অন্তত সেই গায়ক পিশাচে ক'লে, "মহাশয়, ইমানকালৰ অন্তত মই মোৰ সংগীতৰ সমুচিত পুৰস্কাৰ পালোঁ। এতিয়া মই ঘৰ পৰিত্যাগ কৰি সন্তুষ্ট মনেৰে গুচি যাম।" এই বুলি কৈয়েই পিশাচ গায়ক তৎক্ষণাৎ তাৰপৰা নোহোৱা হৈ গ'ল।

এই কাহিনী সামৰি বেতালে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, নিজৰ পূৰ্ণ সন্তুষ্টিৰ কথা কৈ গায়ক পিশাচ ঘৰটো এৰি গুচি যোৱাটো বৰ আচৰিত কথা নহয়নে ? চাৰিও ভাই-ককায়েই দেখোন সংগীতত সমান পাৰদৰ্শী আছিল। তথাপি বিষ্ণুশৰ্মাৰ সংগীতত কি জাদু আছিল, যি জাদুৱে পিশাচ-গায়ক মোহিত তথা পূৰ্ণতুষ্ট হৈছিল ? মোৰ এই প্ৰশ্নৰ সঠিক উত্তৰ জানিও যদি নিদিয়া, তোমাৰ মস্তক খণ্ড-বিখণ্ড হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যাই ক'লে, "চাৰিও ভাই-ককাইৰ মাজত তিনি-জনে পিশাচ-গায়কক প্ৰশংসা কৰিছিল ঠিকেই, কিন্তু তাৰ গান পৰিপূৰ্ণভাৱে শুনিবলৈ আগ্ৰহ প্ৰকাশ কৰা নাছিল। তিনিও ভাই-ককাইৰ প্ৰশংসা আছিল কৃত্ৰিম। কিন্তু বিষ্ণুশৰ্মাই পিশাচ-গায়কৰ পিশাচত্বৰ কথা, বা তাক ঘৰটোৰপৰা খেদিবৰ কথা পাহৰি অকৃত্ৰিমভাৱে তাৰ সংগীতৰ আস্বাদ গ্ৰহণ কৰাৰ কথা সেই পিশাচ-গায়কে বুজি পাইছিল। বিষ্ণু আছিল সংগীতৰ প্ৰকৃত প্ৰেমিক।"

বিক্ৰমাদিত্যাই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

কাক কি লাগে

চৌবীৰ আৰু মত্যদেশ আছিল দুখন প্ৰাচীন ঐতিহ্যপূৰ্ণ চুবুৰীয়া ৰাজ্য। পুৰুষ-পৰম্পৰাই এই দুয়োখন ৰাজ্যৰ মাজত মৈত্ৰী-সম্পৰ্ক অটুট-অভগন আছিল। কিন্তু অকস্মাৎ এদিন মত্যদেশৰ ৰজাই সৌবীৰ-দেশৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। সৌবীৰদেশৰ শান্তিপ্ৰিয় ৰজাই অস্মাৎ এই যুদ্ধঘোষণাৰ হেতু বিচাৰি নাপাই একেবাৰে বিবুদ্ধিহেন হৈ পৰিল।

মত্যদেশ — সকলো ফালেৰেপৰাই সৌবীৰদেশতকৈ ডাঙৰ আছিল। মত্যদেশে কেতিয়াবা সৌবীৰদেশ আক্ৰমণ কৰিলে মত্যদেশ বিজয়ী হ'ব, সেই কথাত সৌবীৰ ৰজাৰ মনত অলপো সন্দেহ নাছিল।

এনে অৱস্থাত মত্যদেশৰ ৰাজদূতে সৌবীৰৰ ৰাজসভাত থিয় হৈ সৌবীৰ-ৰাজক ক'লে, "মহাৰাজ, যুদ্ধৰ অৰ্থ যে অনাৱশ্যক জনক্ষয়-ধনক্ষয়, আমাৰ মহা-ৰজায়ো জানে আৰু মানে। এতেকে— আমাৰ মহাৰাজে এই সম্বাদ প্ৰেৰণ কৰিছে যে—আপুনি যদি নিজক তেওঁৰ অধীনস্থ সামন্ত ৰজা বুলি স্বীকাৰ কৰি লয়, তেনেহ'লে এই যুদ্ধৰ আৰু প্ৰশ্ন নুঠিব।"

এখন্তেক ভাবি লৈ সৌবীৰৰ ৰজাই মত্যদেশৰ কটকীক ক'লে, "তুমি তোমা-লোকৰ মহাৰাজক কোৱাগৈ যে তেওঁৰ এই কথাৰ উত্তৰ দিবলৈ আমাক দুই সপ্তাহ সময়ৰ আৱশ্যক হ'ব। আমাৰ দূতে আমাৰ বাৰ্তা কঢ়িয়াই লৈ যাব তোমালোকৰ সুন্দৰ-সুৰম্য ৰাজধানীলৈ।"

মত্যদেশৰ ৰাজদূত প্ৰস্থান কৰাৰ অন্তত সৌবীৰদেশৰ ৰজা শূৰদেৱ দোমোজাত

ভবেন খাৰঘৰীয়া

পৰিল। এফালে অপমান, আৰু — আনফালে যাব জান।

চুশ্চিন্তিত ৰজা শূৰদেৱক তেওঁৰ মহা-মন্ত্ৰী সাগৰে ক'লে, "মহাৰাজ, এই কথাত ইমান ভয় কৰিবলগীয়া একো নাই। আমাৰ ৰাজসভাৰ কবি সৃজনশৰ্মাদেউক দূতৰূপে মত্যৰাজ্যলৈ প্ৰেৰণ কৰক। তেওঁ সময়োচিত আৰু শত্ৰুপক্ষক তুষ্ট কৰিব পৰাৰ ক্ষমতাৰ অধিকাৰী। তেওঁৰ দৌত্য বিফল হ'লেহে আমি পুনৰ এই বিষয়ে ভবা-গুণা কৰিম।"

মহামন্ত্ৰী সাগৰৰ কথাত ৰজাই ভালেই পালে, আৰু ৰাজকবি সৃজনশৰ্মাক মত্য-দেশলৈ দূতৰূপে প্ৰেৰণ কৰাৰ কথাত অতি আনন্দিত মনেৰে সম্মত হ'ল।

ৰাজকবি সৃজনশৰ্মাই পোন প্ৰথমতে কিছুমান চৰিয়াক মত্যদেশলৈ মেলি দিলে আৰু সিহঁতৰ যোগেদি মত্যদেশৰ ৰজা সংমূৰ্তিৰ সম্পৰ্কে জানিবলগীয়াখিনি কেইদিনমানৰ অন্তত জানি ল'লে!

মত্যৰাজ সংমূৰ্তি সজ্জন আৰু পণ্ডিত ব্যক্তি। তেওঁ নিজে সৌবীৰ ৰাজ্য আক্ৰমণ কৰাৰ কথা কদাপি চিন্তা কৰা নাছিল, কিন্তু তেওঁৰ পৰামৰ্শদাতা এজনে সৌবীৰ ৰাজ্যৰ সমৃদ্ধি দেখি ঈৰ্ষান্বিত হৈ মত্যৰাজক উচটাই গাই বোৱাইছিল।

মত্যৰাজৰ অত্যন্ত অন্তৰংগ পৰামৰ্শদাতা আছিল তিনিজন: ধনগুপ্ত, মাধৱবৰ্মা



আৰু সোমশেখৰ। ধনগুপ্ত ডাঙৰ বেপাৰী, মাধৱবর্মা সেনাপতি, আৰু সোমশেখৰ হ'ল মত্যদেশৰ মন্ত্রী।

এই তিনিজনৰ স্বভাব-চৰিত্রৰ কথাও সৃজনশর্মাদেৱে চাৰয়াইঁতৰ মুখে জানি ল'লে। ধনগুপ্ত আছিল ধনলোভী, মাধৱ-শর্মা কঠোৰ স্বভাৱী, আৰু মন্ত্রী সোমশেখৰ আছিল এটি অকৃত্রিম মূর্খ।

তাৰ পাছত এদিন সৃজনশর্মা মত্য-দেশলৈ গ'ল। ৰাতিৰ নিমজ পৰতে সৃজনশর্মাই ধনগুপ্তৰ সৈতে তেওঁৰ গোপন কক্ষত সাক্ষাৎ কৰি লগত লৈ অহা মূল্যৱান ৰত্ন উপহাৰৰূপে দিলে আৰু ক'লে, "হে বণিকশ্রেষ্ঠ, আপোনাৰ দৰে ধনাঢ্য ব্যক্তিয়ে কৰিম বুলিলে যেইকোনো কাম কৰিব পাৰে। আপুনি মহাৰাজক সৌবীৰ আক্রমণ কৰাৰ পৰা বিৰত কৰিব পাৰিব— এই কথাত আমাৰ তিলমানো সংশয় নাই। আৰু—আপোনাৰ উপকাৰৰ প্রত্যুত্তৰত আমিও কৃতজ্ঞতাৰে প্রত্যুপকাৰ কৰিম।"
লোভী ধনগুপ্তই আগলৈ পুৰস্কাৰ প্রাপ্তিৰ লোভেৰে সৃজনশর্মাৰ প্রস্তাৱত সন্মত হ'ল।

তাৰ পাছত সৃজনশর্মাই কোনেও নেদেখা-নজনাকৈ সেনাপতি মাধৱবর্মাৰ ওচৰলৈ গ'ল আৰু তলমূৰ হৈ অভিবাদন কৰি ক'লে, "মই মহাবীৰ মাধৱবর্মাদেৱলৈ অভিবাদন জ্ঞাপন কৰিছোঁ। হে মহাবীৰ! এটি পক্ষীলৈ ব্রহ্মাস্ত্র প্রয়োগ কৰাৰ

কিবা আৱশ্যকতা আছেনে ?

"কি ক'ব খুজিছে—স্পষ্টকৈ কওক।" সেনাপতি মাধৱবৰ্মাই ক'লে।

সৃজনশৰ্মাৰ বুকুৰ ভিতৰত যদিও ঢেঁকীয়ে চেঙ্কুচ কৰিলে, তথাপি নম্ৰতাৰে ক'লে, "আপোনাৰ মান পৰাক্ৰমী সেনাপতি এগৰাকীয়ে আপোনাৰ তুলনাত তুচ্ছাতি-তুচ্ছ ৰাজ্য এখনক পৰ্য্যুদস্ত কৰাটো হ'ল আপোনাৰ কেঞা আঙুলিৰ খেল ; কিন্তু তাৰে আপোনাৰ নাম-যশ বৃদ্ধি হ'বনে ? সিপিনে চেদী ৰজাৰ অহংকাৰ দিনক দিনে বাঢ়ি আছে—বাঢ়িয়েই আছে। এনেবোৰ ,অহংকাৰী ৰজাক পৰাজিত কৰাটোহে আপোনাক শোভা পায়।"

তাৰ পাছত সৃজনশৰ্মা মন্ত্ৰী সোম-শেখৰক লগ ধৰিলেগৈ।

সোমশেখৰ আছিল গপত গঙাটোপ হোৱাবিধৰ, নিজৰ প্ৰশংসা শুনিলে ফুলি ঢোল হোৱাবিধৰ মূৰুখ। সোমশেখৰ যেতিয়া পত্নী-পুত্ৰৰে সৈতে উদ্যানত ফুৰি আছিল, ঠিক তেতিয়াই সৃজনশৰ্মা তালৈ গ'ল আৰু মন্ত্ৰীক সাষ্টাংগে প্ৰণাম কৰি ক'লে, "এই ৰাজ্য যে আপুনিয়েই শাসন কৰে, জানো আমিও, আপুনি কিবা ক'লে, মহাৰাজে 'নহয়' বুলি নকয়, তাকো চবেই জানে, আৰু মানে।"

তাৰ পাছদিনা সৃজনশৰ্মাই মত্যৰজা সংমূৰ্তিৰ ওচৰলৈ গ'ল আৰু সৌবীৰ ৰাজ্যৰ দূতৰূপে আত্মপৰিচয় দান কৰি, যুদ্ধৰ মহা অনিষ্টকৰ দিশৰ ওপৰত কবিতা পাঠ কৰি মহাৰাজৰ মনোৰঞ্জন কৰিলে, আৰু অনাক্ৰমণ চুক্তি কৰাৰ অন্তত নিজ দেশলৈ উভতিলৈ।

সৌবীৰৰাজ শূৰদেৱে ৰাজকবি সৃজন-শৰ্মাৰপৰা সকলো কথা শুনাৰ অন্তত বুজি পালে যে লোভীক ধনেৰে, কঠোৰ হৃদয়ক বিনয়েৰে, মূৰ্খক প্ৰশংসাৰে, আৰু বিদ্বানক সত্য কথনেৰে জয় কৰিব পাৰি।



চান্দমামা-ক্ৰোড়পত্ৰ

জ্ঞান ভাণ্ডাৰ

ভাৰতৰ কীৰ্তিস্তম্ভ

পদ্মনাভ স্বামীৰ মন্দিৰ

আজিৰ কেৰলৰ ৰাজধানী বৰ্তমান ত্ৰিবান্দ্ৰমৰ আদি নাম আছিল তিৰুঅনন্তপুৰম্। অনন্ত [অসীম ঈশ্বৰ] আছিল ঈশ্বৰৰ নাম। আকৌ, এই পৃথিৱীখনক মস্তকত ধাৰণ কৰি থকা পৌৰাণিক সৰ্পৰ নামও আছিল অনন্ত। ত্ৰিবান্দ্ৰম নগৰৰ অসংখ্য মন্দিৰৰ মাজত পদ্মনাভৰ বিষ্ণুমন্দিৰ অতি বিখ্যাত। ইয়াত বিষ্ণুক অনন্তশয়নম্ নামেৰেও অভিহিত কৰা হৈছিল। এই বিগ্ৰহ অতি প্ৰাচীন। স্বাভাৱিকতেই, এই মন্দিৰ বহুবাৰ পুনৰ্নিৰ্মিত হৈছিল। আজিৰ পদ্মনাভস্বামী মন্দিৰ মহাৰাজ মাতণ্ডবৰ্মাদেৱৰ দ্বাৰা পুনৰ্নিৰ্মিত হৈছিল। এই মন্দিৰক এখন মন্দিৰ-নগৰ ক'ব পাৰি, কিয়নো, এই মন্দিৰৰ ভিতৰত অসংখ্য মন্দিৰ আছে—যি মন্দিৰ-সমূহৰ গাত কৃষ্ণ, ক্ষেত্ৰপাল, নৰসিংহ, শ্বস্ত, গৰুড় আৰু অন্যান্যৰ কাহিনী বৰ্ণিত হৈছে।

খেলা-ধূলাৰ জগতখনত

গ্ৰ্যাণ্ড স্ল্যাম
ক ;
ৰিকাৰ
কনোলি।
১৯৮০ চনত ডাৰ্বিৰ দ্বাদশ আৰ্লে পৃথিৱীৰ আটাইতকৈ ডাঙৰ ঘোঁৰা-দৌৰৰ প্ৰতিযোগিতা পাতিছিল। ছাৰে নামৰ ঠাইৰ এপছম ডাউনছ-ৰ পথাৰত ডেৰ মাইল জোৰা এই ঘোঁৰা-দৌৰে 'এপছম-অব্ ডাৰ্বি' বুলি খ্যাতিলাভ কৰিছিল।
এপছম-অব ডাৰ্বি
শেহতীয়া
থকা থকা গ্ৰ্যাণ্ড
ছিল ল্যাঙ্গ ৰেভেন্ট-
৯৬০ চনত ম'নাকো-ত
অযান্ত্ৰিক খেলত, অৰ্থাৎ কোনো যন্ত্ৰৰ সহায়তাবিহীন খেলত আকাশৰপৰা জঁপিয়াই তললৈ পৰাত মানুহে ঘণ্টাই প্ৰতি ৬১৪ মাইল অৰ্থাৎ ৯৮৮ কিল'মিটাৰ গতি আৰ্জিব পৰা হৈছিল।
উচ্চতম গতি
স্টাইল
বৰফ হকি
১৭ শতিকাত হলেণ্ডত এবিধ বৰফ-হকি খেলঅনুষ্ঠিত হৈছিল। এতিয়া যি বৰফ-হকি অনুষ্ঠিত হয় সেই বৰফ-হকি কেনাডাৰ কিংস্টন আৰু মন্ট্ৰিয়েলত ১৮৬০ চনত আৰম্ভ হৈছিল।
ৰ কায়দা [স্টাইল]—উনবিংশ
[ঘোঁৰা দৌৰৰ প্ৰতিযোগী]

জা না নে ?



৭০,০০০ কিউবিক মাইল দীৰ্ঘ এক নেজাল তৰাৰ নেজৰ ওজন এটি মাত্ৰ উশাহতকৈ অধিক নহয় !



এচামোচ পানীত যিমান অণু আছে. প্ৰশান্ত মহাসাগৰৰ এচামোচ পানীতো সিমানেই।

বছৰেকত ৫০,০০০ বাৰতকৈয়ো অধিক ভূঁইকঁপে পৃথিৱীক কঁপাই যায়, কিন্তু অধিকভাগেই ইমান মৃদু যে আমি অনুভৱেই কৰিব নোৱাৰোঁ।



পৃথিৱীখন মিনিটেপ্ৰতি ২৯ কিলোমিটাৰ গতিৰে আৱৰ্তিত হয় [ঘূৰে]।

ইন্দোনেছিয়া হ'ল ১৩,০০০ দ্বীপৰ সমষ্টি।

একমাত্ৰ মানুহেই তাৰ পিঠিৰ ওপৰত শোৱে।



নেহৰু-উপাখ্যান-৯

১৯২৯ চনত ঝৰিয়াত অনুষ্ঠিত ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ অধিবেশনত জৱহৰ-লাল নেহৰুক ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ সভাপতি পতা হ'ল আৰু কৃষকসকলৰ মাজত জনপ্ৰিয়তা অৰ্জ্জাৰ অন্তত, এই-বোৰ তেওঁ ভাৰতৰ শিল্প-শ্ৰমিকসকলৰো প্ৰত্যক্ষ সংস্পৰ্শলৈ আহিল।

এই ঘটনাৰ অনতিকাল পাছত, কং-গ্ৰেছৰ লাহোৰ অধিবেশনত জৱহৰলালক ভাৰতৰ জাতীয় কংগ্ৰেছৰ সভাপতি নিৰ্বাচন কৰা হ'ল। তেতিয়া তেওঁ চল্লিছ বছৰীয়া মাথোন। সভাপতিৰূপে নিৰ্বাচন কৰিবলৈ জৱহৰলালৰ নাম গান্ধীজীয়ে উত্থাপন কৰিছিল, আৰু জৱহৰলালে তেওঁৰ পিতৃ মতিলালৰ উত্তৰাধিকাৰী ৰূপেই নিৰ্বাচিত হৈছিল।

লাহোৰ অধিবেশনতে জৱহৰলাল আৰু অন্যান্য নেতায়ো স্বনামখ্যাত পাঠান নেতা খান আব্দুল গফ্‌ফৰ খানৰ সাক্ষাৎলাভ কৰিছিল। খান আব্দুল গফ্‌ফৰ খানৰ দৈতে বহু সংখ্যক পাঠান যুৱক সীমান্ত প্ৰদেশৰপৰা আহিছিল। এই যুৱকসকলৰ বিশ্বস্ততা আৰু উৎসাহ দেখি কংগ্ৰেছৰ সকলোৱে ভাল পালে।

১৯৩০ চনৰ ২৬ জানুৱাৰিক কংগ্ৰেছে ‘স্বাধীনতা দিৱস’ ৰূপে পালন কৰিবলৈ আয়োজন কৰিলে। সেই দিনা কংগ্ৰেছ-নেতৃবৃন্দই জনগণক প্ৰকাশ্যেই দেশৰ স্বাধীনতা অৰ্জাৰ লক্ষ্যৰ কথা ক'লে। এই সভাসমূহত প্ৰচুৰ জনসমাগম হৈছিল।

নিমখ, বা লোণৰ ওপৰত ইংৰাজ চৰকাৰে কৰ ধাৰ্য্য কৰাত গান্ধীজীয়ে এই কৰ আৰোপ কৰাৰ বিৰুদ্ধে সত্যাগ্ৰহ কৰিবলৈ জনসাধাৰণলৈ আহ্বান জনালে। আমেদাবাদৰ ওচৰত থকা তেওঁৰ বিখ্যাত সবৰমতী আশ্ৰমৰপৰা তেওঁ ডাণ্ডী-সত্যাগ্ৰহলৈ দৃঢ়তাৰে খোজ ল'লে। এই সত্যাগ্ৰহই সমগ্ৰ দেশতে প্ৰবল উৎসাহৰ সৃষ্টি কৰিলে।



অসংখ্য ঠাইত নৰ-নাৰীসকলে চৰকাৰৰ নিষেধলৈ উপেক্ষা প্ৰদৰ্শন কৰি সাগৰ-তীৰত আৰু অন্যান্য ঠাইতো লোণ প্ৰস্তুত কৰিবলৈ ধৰিলে। পত্নী কমলা নেহৰুকে লগত লৈ জৱহৰলালেও এই সত্যাগ্ৰহত উৎসাহেৰে সন্মিলিত হ'ল।

১৯৩০ চনৰ ১৪ এপ্ৰিল তাৰিখে ৰেল-গাড়ীত উঠাৰ সময়ত জৱহৰলালক গ্ৰেপ্তাৰ কৰা হ'ল। এই গ্ৰেপ্তাৰৰ ফলত জনসাধাৰণ বিক্ষুব্ধ হৈ উঠিল। সত্যাগ্ৰহ দেশৰ সকলো ঠাইতে বিয়পি পৰিল।

তেওঁ কাৰাগাৰত থকা কালছোৱাত গান্ধীজী কংগ্ৰেছৰ সভাপতি হোৱাটো জৱহৰলালে বিচাৰিছিল ; কিন্তু গান্ধীজী যে সন্মত নহ'ব তাকো তেওঁ জানিছিল। গতিকে—জৱহৰলালে তেওঁৰ পিতাদেউ মতিলালকে নিৰ্বাচিত কৰিছিল দ্বিতীয় সম্ভাৱনা হিচাপে ; কিন্তু তেতিয়া মতিলালো অসুস্থ। তথাপি তেওঁ তেওঁৰ পুত্ৰৰ হৈ এই দায়িত্বভাৰ ল'লে।

তেতিয়া ভাৰতৰ নগৰে-চহৰে আইন অমান্য আৰু বিদেশী বস্ত্ৰ-সামগ্ৰী পৰিত্যাগৰ জোৱাৰ উঠিছে। কমলা নেহৰুৱে এনেবোৰ কিছুমান সত্যাগ্ৰহৰ নেতৃত্ব দিলে ; যদিও তেওঁ তেতিয়া আছিল মোটামুটিভাৱে অসুস্থ।



মতিলাল নেহৰুৱে তেওঁৰ এলাহাবাদস্থিত অট্টালিকা ‘আনন্দ ভৱন’ জাতিৰ সেৱালৈ উছৰ্গা কৰিলে আৰু আনন্দ ভৱন’ক নতুনকৈ ‘স্বৰাজ ভৱন’ ৰূপে নামকৰণ কৰিলে। পাছত ইয়াৰেপৰাই কংগ্ৰেছৰ বিভিন্ন কর্মযোগ পৰিচালিত হৈছিল। আনন্দ ভৱনৰ এভাগত এখন হস্পিটাল স্থাপন কৰাৰো দিহা কৰা হৈছিল।

মতিলাল নেহৰু বৰকৈ অসুস্থ হৈ পৰিছিল। তেওঁ জিৱণি ল’বৰ মনেৰে মুছৌৰিলৈ যাবলৈ সাজু হৈছিল ; কিন্তু এদিন ৰাতি পুৱা পুলিচে তেওঁক এলাহাবাদস্থিত আনন্দভৱনেৰপৰা গ্ৰেপ্তাৰ কৰিলে। তেওঁক তেওঁৰ পুত্ৰ জৱহৰলাল বন্দী হৈ থকা নৈনি কাৰাগাৰলৈ লৈ যোৱা হ’ল।

জৱহৰলালক এটা দুকোঠলীয়া নির্জন কুঠৰীত বন্দী হিচাপে ৰখা হৈছিল। ইয়াত ৰহি তেওঁ কুঠৰীৰ ক্ষুদ্ৰ খিৰিকীয়েদি সামান্য আকাশ দেখা পাইছিল আৰু মুক্ত আকাশলৈ চাই চাই মুক্তিৰ সপোনত বিভোৰ হৈছিল।

[আগলৈ

দিহাৰ দোকান

বহু বহু কালৰ আগতে কোনোবা এখন গাঁৱত এখন বিচিত্ৰ দোকান আছিল। এই দোকানখনৰ নাম আছিল 'দিহাৰ দোকান'। ধৰমপাল আছিল এই দিহাৰ দোকানৰ মালিক। সৰু সৰু একো টুকুৰা কাগজত ধৰমপালে 'দিহা' লিখি থৈছিল আৰু যাক যিমান দিহা লাগে তাক তিমান দিহা বেচিছিল। একো একো টুকুৰা দিহাৰ কাগজৰ দাম আছিল এশ টকাকৈ। দিহা-কিনোতাই সেই কাগজৰ টুকুৰাত লিখা হৈ থকা দিহাৰ মতে কাম কৰিলেই হেনো কাম ফতেহ্—মানে সেই দিহা কিনিলে হেনো কাম সিজিবই।

এদিন দিহদাৰ ধৰমপালৰ দোকানলৈ এজন বিৰাট ধনী মানুহ আছিল। সেই কালে ধনী মানুহক 'শ্বেঠ' বুলি কয়। এইজন শ্বেঠে দিহদাৰ ধৰমপালৰ নাম শুনি ঘামি-জামি আহি, দিহাৰ দোকানৰ-পৰা তিনিশ টকাৰে তিনিখন কাগজ কিনি ল'লে। দিহা তিনিটা আছিল:

১. ক'ৰবালৈ যাত্ৰা কৰোঁতে পৰিবাৰক একো ক'ব নাপায়।

২. বাটত যদি ভোক লাগে, বাটৰ দাঁতি-কাষৰীয়া ঠাইত খাব নাপায়।

৩. ধৰধৰকৈ কোনো কথাত কোনো ধৰণৰ বাজী মাৰিব নাপায়।

তাৰ পাছত—এই দিহা তিনিটাক পৰীক্ষা কৰাৰ মনেৰে শ্বেঠে এদিন নওটা মোনাত এহেজাৰকৈ নহেজাৰ মুদ্ৰা ভৰাই, গাড়ী এখন ভাড়ালৈ লৈ, বেহা-বেপাৰ কৰিবলৈ নগৰমুৱা হ'ল; কিন্তু পৰিবাৰক একো নক'লে।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



ভাগেখিনিমান বাট আগুৱাই যোৱাৰ পাছত শ্বেঠৰ ভোক লাগিল। আলি-বাটৰপৰা অলপমান আঁতৰত এটা কুঁৱা দেখা পাই, গাড়ীখন বাটৰ ওপৰত ৰখাই, সেই কুঁৱাটোৰ পাৰলৈ গৈ, তাত খোৱা-বোৱা কৰিলে আৰু গাড়ীত উঠি আগ বাঢ়িলে। অলপ দূৰ আগুৱাই যোৱাৰ পাছত গাড়ীত মাত্ৰ আঠটা মুদ্ৰাৰ মোনা দেখা পালে। তেতিয়া শ্বেঠ পুনৰ কুঁৱাৰ পাৰলৈ দৌৰি গ'ল, আৰু হেৰাই যোৱা মুদ্ৰাৰ মোনাটো বিচাৰি পোৱা হ'ল আৰু দিহাৰ দোকানৰপৰা কিনি অনা দিহাৰ যথাৰ্থতা অন্ততঃপক্ষে এটা ক্ষেত্ৰত প্ৰমাণিত হোৱাত শ্বেঠ বাস্তৱিকতে তুষ্ট হ'ল।

মুদ্ৰাৰ মোনাটোৰে সৈতে যেতিয়া শ্বেঠ গাড়ীৰ ওচৰলৈ গৈ আছিল, তেতিয়া শ্বেঠৰ ভাৰ এখন বোকাত পিছল খাই পৰিল আৰু ভৰিৰ খুন্দা খাই এটা ফল উফৰি পৰিল। কথা অতি আচৰিতেই, বহু দিনৰপৰা শ্বেঠৰ ভৰিত এটা ডাঙৰ ফোঁহোৰাই শ্বেঠক বৰ কষ্ট দিছিল, ফলটোও ফোঁহোৰাত লাগিল, আৰু বিষ-বেথাও নোহোৱা হ'ল; আনকি গোটেই ফোঁহোৰাটোৱেই নিমিষতে নোহোৱা হৈ পৰিল। শ্বেঠে এই জাদু-ফলৰূপী ঔষধি-ফলটো কুঁৱাটোৰ পাৰতে এঠাইত পুতি থৈ দিলে, উভতি যাওঁতে লৈ যাব বুলি ভাবিলে।

কিন্তু নগৰপৰা ওভতোঁতে শ্বেঠে ফলটো কথা সমূলি পাহৰি থাকিল।

গাঁৱত ভৰি দিওঁতে-নৌদিওঁতে শ্বেঠে সমিচাৰ এটি পালে যে—গাঁৱৰ কোটিপতি কানিৰাম শ্বেঠে কিবা ফোঁহাৰ বিষত প্ৰায় যোৱা-খোৱাহেন হৈ ঘোষণা কৰিছে যে যিজনে তেওঁৰ ফোঁহাটো ভাল কৰি দিব তেওঁক দহহেজাৰ মুদ্ৰাৰে মান ধৰিব। অৰং-দৰং-কলংপাৰৰপৰা কত যে বেজ-বৈদ্য আহিল; কিন্তু কানিৰামৰ কণমানি বিষাল ফোঁহাটো ভাল কৰিব নোৱাৰিলে।

আৰু ঠিক তেতিয়াহে আমাৰ বেপাৰী শ্বেঠৰ মনত পৰিল সেই ফলটোৰ কথা। শ্বেঠে শ্বেঠানীক [পৰিবাৰক] গগুপ মাৰি ক'লে সেই ফলটোৰ কথা, আৰু কানিৰামৰ ধনৰ টোপোলাটো যে তেওঁৰ ভাগ্যতে নাচিছে, তাকো ক'লে।

শ্বেঠো কৌটিপতি কানিৰামৰ ওচৰলৈ গ'ল, আৰু শ্বেঠৰ পৰিবাৰো চুবুৰীলৈ ওলাল। পেটৰ কথা সদৰি নকৰিলে পেট ফুলি ঢোল হোৱা শ্বেঠৰ পৰিবাৰে ফল-কুঁৱা আদি সকলো কৈহে ৰ'ল।

বাটত শ্বেঠে লগ পালে তেওঁৰ চুবুৰীৰে আন এজন মানুহক। ইকথা-সিকথাৰ মাজত শ্বেঠে তেওঁৰ চুবুৰীয়া মানুহজনক ক'লে, "কানিৰামৰ বিষ-ফোঁহা কেনেকৈ ভাল হ'ব, কেৱল মইহে জানো।"

"মঞো।" চুবুৰীয়াই ক'লে।

"তুমি!" শ্বেঠে বিদ্রূপৰ হাঁহি মাৰি ক'লে, "তুমিনো কেনেকৈ জানিবাহে?"

"জনাই নহয়, মই নিমিষতে ভাল কৰি দিব পাৰোঁ কৌটিপতি কানিৰামৰ ফোঁহা।" চুবুৰীয়াই শ্বেঠক ক'বলৈ গ'লে চোঁঠেঙীয়া কৰিলে।

এইবাৰ শ্বেঠে খণ্ডতে দিহাৰ কাগজৰ কথা সমূলি পাহৰি চুবুৰীয়াৰ লগত বাজী মাৰিলে। ক'লে যে—তেওঁ যদি কৌটিপতি কানিৰামক কেনেবাকৈ ভাল কৰিব পাৰে—তেওঁ তেওঁৰ [আমাৰ এই শ্বেঠৰ]

ঘৰলৈ আহি প্ৰথমেই যিটো বস্তু হাতেৰে ছুব তাকে তেওঁক দিয়া হ'ব।

আৰু তাৰ পাছত মুহূৰ্ততে চুবুৰীয়াই তেওঁৰ ঘৈণীয়েকৰপৰা [শ্বেঠৰ ঘৈণীয়েকে যিজনীক কৈছিল] শুনা কুঁৰাৰ ওচৰৰপৰা ফলটো তৎক্ষণাৎ লৈ আহি ফোঁহাটো নোহোৱা কৰি পেলালে।

শ্বেঠৰ সমস্ত ধন-সোণ আছিল চন্দুকৰ ভিতৰত। শ্বেঠ দুশ্চিন্তাত পৰিল। এতিয়া কি হ'ব? প্ৰথমেই যদি চন্দুকটোকে ছুই দিয়ে? সাঁচনৰ ধন কাছনত যাব দেখোন। হঠাৎ এটা কথা ভাবি শ্বেঠ হেঁপাই-ফোঁপাই থৰ-কাছুটি হেৰুৱাই লৰৰি গ'ল দিহদাৰ ধৰমপালৰ ওচৰলৈ। গৈ— চিধ্ধাই ধৰমপালৰ ভৰিত দীঘল দি পৰিল।

সকলো বৃত্তান্ত শুনাৰ অন্তত ধৰমপালে শ্বেঠক ক'লে, "শুনা, সেইবোৰ গ'ল-ব'ল হৈ গ'ল। এতিয়া তুমি তোমাৰ ধন-সোণৰ চন্দুকটো চাঙৰ ওপৰত উঠাই আৰু সেই চাঙৰ লগত এখন জখলাও লগাই থ'বা। ময়ো ঠিক সময়তে তোমাৰ ঘৰ পামগৈ. চিন্তা নকৰা।"

কাউৰীৰ মুখে বাতৰি পাই, ৰং চাবলৈ, শ্বেঠৰ ঘৰত মানুহৰ খদমদম লাগি পৰিছিল। সেই চুবুৰীয়া অৱশেষত আহিল, আৰু আহিয়েই চাঙৰ ওপৰত থকা চন্দুকটোক হাতেৰে ছুবলৈ জখলাখন বগাই উঠিবলৈ ধৰোঁতেই ধৰমপালে শ্বেঠক ক'লে. "শ্বেঠ, এওঁক জখলাখন দি দিয়ক, এইখন এতিয়া তেওঁৰ সম্পত্তি।"

চুবুৰীয়াই ধৰমপালৰ কথাত আপত্তি দৰ্শালে। কিন্তু তাত থকা মানুহখিনিয়ে একেলগে কৈ উঠিল. "ধৰমপালৰ কথায়েই ঠিক। ছুবা জখলা. আৰু পাবা চন্দুক? কেনেকৈহে হ'ব কথাটো?"

দিহদাৰ ধৰমপালৰ ধাৰ বুজি খেও দিয়াৰ বুদ্ধিৰ যহতে অজলা বিজাল শ্বেঠৰ কথমপি শেষ ৰক্ষা হ'ল।

কৃষ্ণাৱতাৰ

২৫

উষাই অনিৰুদ্ধৰ
চিত্ৰখনলৈ ৰ' লাগি বিমুগ্ধ দৃষ্টিৰে
চাই থকা দেখি সখিয়েক চিত্ৰলেখাই ক'লে,
"সখি! তোমাৰ সপোন-কোঁৱৰ কোন মই জানিলোঁ।
তেওঁ য'তেই নাথাকক, মই তেওঁক নিশ্চয় বিচাৰি উলিয়াম।
এই কথাত তুমি মুঠেই চিন্তিত নহ'বা। তুমি হ'লা দেৱী
পাৰ্বতীৰ আশীৰ্বাদপ্ৰাপ্তা। দেৱী পাৰ্বতীৰ এই আশীৰ্বাদেৰেই তোমাৰ
অভিলাস নিশ্চয় পূৰণ হ'ব।" উষাই পৰিতৃপ্ত মনেৰে চিত্ৰলেখাক
ক'লে, "সখি! তোমাৰ এনে অভিনৱ চিত্ৰকলাৰ কৌশল মই নজনা
হৈ আছিলোঁ। তোমাৰ নাম আৰু কাম যথাৰ্থতে এক। তোমাৰ
অঁকা চিত্ৰ ইমানেই জীৱন্ত হৈছিল যে মই সপোনত দেখাজনক
চিনি পোৱাত একেবাৰেই টান পোৱা নাছিলোঁ। পিছে—
তেওঁনো কোন বংশৰ? তেওঁৰ নামেইবা কি? তেওঁ
কি কৰে? তেওঁ কোন দেশৰ কোন প্ৰান্তত বাস
কৰে? এইবোৰ কথা জানিব পাৰিলে,
হে সখি, মই শান্তি পাম।"

দ্বাৰকাত নোৱাৰে, তথাপি মই, হে সখি, তোমাৰ কাৰণে দ্বাৰকালৈ নিশ্চয়েই যাম, আৰু তেওঁক তোমাৰ ওচৰলৈ যেনেতেনে লৈ আহিম : এই কথাত তুমি চিন্তিত নহ'বা। মই এতিয়া দ্বাৰকালৈ যাবলৈ সাজু হওঁগৈ। এই কাৰ্য্য সাধি যিমান সোনকালে সম্ভৱ উলটিম।"

"তুমি এনেয়েও কাৰ্য্যকুশল, আৰু যোগবিদ্যাতো পাৰ্গত। কামৰূপ তথা কামগমন শক্তিও তোমাৰ আছে। অসম্ভৱ কাৰ্য্যকো সম্ভৱ কৰাৰ ক্ষমতাও তোমাৰ আছে। সখি, তোমাক লাজ-মান কাটি কৰি খৈ কওঁ, অনিৰুদ্ধক নেদেখা হ'লে মই আৰু জীয়াই থাকিব নোৱাৰিম। তুমি শীঘ্ৰে দ্বাৰকালৈ যোৱা, আৰু মোৰ প্ৰাণ ৰক্ষা কৰাঁ। মই সপ্তদিৱস ধৰি যাতনা সহি আছোঁ ; কিন্তু আৰু এপলো সহি থকাত টান পাইছোঁ।" উষাই উনৈশত বা-বলা যেন হৈ ক'লে।

চিত্ৰলেখাই উষাক আঁকোৱালি লৈ ক'লে, "চিন্তা নকৰা, মই এতিয়াই ওলাম।"

আৰু চাওঁতে চাওঁতে চিত্ৰলেখাই উৰা মাৰি অদৃশ্য হৈ পৰিল।

পলকতে দ্বাৰকা নগৰ পাই, তাত এক সুন্দৰ সৰোবৰৰ তীৰত মহামুনি নাৰদৰ দৰ্শন লভি চিত্ৰলেখাই নাৰদমুনিক

উষাৰ ঔৎসুক্যৰ উত্তৰত সখি চিত্ৰলেখাই ক'লে, "তুমি নিশ্চয় দ্বাৰকাধীশ শ্ৰীকৃষ্ণৰ নাম শুনিছা। কোৱা হয়ঃ দেৱাদিদেৱ মহাদেৱৰ তৃতীয়নেত্ৰৰ অগ্নিৰে ভস্মীভূত হোৱা কামদেৱ শ্ৰীকৃষ্ণৰ পুত্ৰ প্ৰদ্যুম্নৰূপে জন্মগ্ৰহণ কৰিছিল। সখি! তোমাৰ সপোন-কোঁৱৰ এইগৰাকী প্ৰদ্যুম্নৰ পুত্ৰ অনিৰুদ্ধ। এওঁৰ পৰাক্ৰম ভুৱনবিদিত। এই অনিৰুদ্ধক যদি তুমি পতিৰূপে লাভ কৰাঁ, তেনেহ'লে আদিশেষো তোমাৰ সুভাগ্যক নশলাগি নোৱাৰিব।"

"আমাৰ এই শোণিতপুৰত যেনেকৈ যিকোনো মানুহৰ প্ৰবেশ কৰিব নোৱাৰে

অতি ভক্তিভাৰেৰে প্ৰণাম কৰিলে।

নাৰদমুনিয়ে চিত্ৰলেখাক আশীৰ্বাদ কৰি মৃদুকৈ হাঁহি সুধিলে, “কি কথা! তুমি অকস্মাৎ ইয়াত?”

চিত্ৰলেখাই নাৰদমুনিক উষাৰ বৃত্তান্ত কোৱাৰ অন্তত নিবেদন কৰিলে, “মই অনিৰুদ্ধক মোৰ লগত লৈ যাওঁ যদি—শ্ৰীকৃষ্ণ ক্ৰোধান্বিত হ'ব। আপুনি যদি শ্ৰীকৃষ্ণক কথাখিনি বুজাই কয়, মোৰ কাৰ্য্য সহজ হ'ব। বাণাসুৰ আৰু শ্ৰীকৃষ্ণৰ মাজত যুদ্ধ হয় যদি—শ্ৰীকৃষ্ণয়েই যে বিজয়ী হ'ব, সেই কথাত মোৰ সন্দেহ নাই। মই অনিৰুদ্ধক মোৰে সৈতে লৈ যাওঁ যদি, শ্ৰীকৃষ্ণই মোক অভিসম্পাতো দিব পাৰে। অনুগ্ৰহ কৰি আপুনি অনিৰুদ্ধক মই মোৰ লগত লৈ যাব পৰাকৈ কিবা এটা উপায় দিয়ক, নহ'লে মোৰ সখি উষা নিশ্চিতকৈ বাউলীজনী হ'ব।”

নাৰদে চিত্ৰলেখাক তামসী বিদ্যাৰ উপদেশ প্ৰদান কৰি ক'লে, “এই বিদ্যাৰে তোমাৰ কাৰ্য্য সুসম্পন্ন হ'ব। তুমি অনিৰুদ্ধক লৈ যোৱাৰ পাছত বাণৰ সৈতে নিশ্চয় যুদ্ধ লাগি পৰিব। তেতিয়া মই তালৈ গৈ যুদ্ধ ৰখাম।” এই কথা কৈয়েই নাৰদমুনি তাৰপৰা গুচি গ'ল।

তেতিয়া চিত্ৰলেখাই অদৃশ্যৰূপে কৃষ্ণ আৰু প্ৰদ্যুম্নৰ প্ৰাসাদ পাৰ হৈ অনিৰুদ্ধৰ কক্ষ পালেগৈ। চিত্ৰলেখাই দেখা পালে—

তাত থকা অনিৰুদ্ধ বাদে আন সকলোকে অচেতন কৰি পেলাই, অনিৰুদ্ধৰ সমুখত সম্ভ্ৰমপূৰ্ণভাৱে থিয় হৈ নম্ৰকণ্ঠেৰে অনিৰুদ্ধক ক'লে, "চক্ৰৱৰ্তী বলিৰ পুত্ৰ বাণৰ ঔৰসত দেৱী পাৰ্বতীৰ আশীৰ্বাদত এজন পুত্ৰী জনমিল। এই বাণ-পুত্ৰীৰ নাম উষা। উষা হ'ল ত্ৰিলোক-সুন্দৰী। স্বয়ং ব্ৰহ্মায়ো উষাৰ সৌন্দৰ্য্য-বৰ্ণনত অক্ষম। গতিকে— মই উষাৰ সৌন্দৰ্য্যৰ বৰ্ণনা কৰাৰ চেষ্টা নকৰোঁ। উষাই আপোনাক এনিশা সপোনত দেখিলে, আৰু তেতিয়াৰেপৰাই আপোনাক বিভা কৰিবলৈ বিয়াকুল হৈ উঠিল। মোৰ নাম চিত্ৰলেখা, মই উষাৰ সখিয়েৰ। আপুনি যদি উদাৰ চিতেৰে সন্মত হয়, মই আপোনাক মোৰে সৈতে উষাৰ ওচৰলৈ লৈ যাম। যদি আপুনি মোৰে সৈতে নাযায়, তেনেহ'লে উষাজনী আনকি আত্ম-ঘাতিনীও হ'ব পাৰে। অনুগ্ৰহ কৰি আপুনি মোৰে সৈতে শোণিত পুৰলৈ ব'লক।"

অনিৰুদ্ধই ক'লে, "হে ভগিনী চিত্ৰলেখা, উষাই যেনেকৈ মোক সপোনত দেখিছে, ময়ো তেনেকৈ উষাক সপোনত দেখিছোঁ। তেতিয়াৰেপৰাই ময়ো উষাৰ দৰ্শনলৈ আকুল হৈ আছোঁ, আৰু মোৰ চকুতো টোপনি নোহোৱা হৈছে। তুমি মোৰ ভাগ্যদেৱী হৈ আহিছা। কিন্তু—কি যে

সুৱৰ্ণ-পাত্ৰ মধুৰে পূৰ্ণ কৰি ভালেকেই-জনীমানৰ মাজত অনিৰুদ্ধ বহি আছে। অনিৰুদ্ধৰ মনোৰঞ্জনৰ বাবে তাত সুন্দৰী-হঁতৰ নৃত্য-গীত চলি আছিল; কিন্তু অনিৰুদ্ধক কিছু আমন-জিমন হৈ থকা যেন লাগিছিল।

চিত্ৰলেখাই ভাবি থাকিল: এওঁ উষাৰ দৰে সপোন দেখিছেনে কি বাৰু? এওঁক উষাৰ বাহিৰে আন কোনোবা-জনীয়ে আকৰ্ষণ কৰিব পাৰিবনে?

চিত্ৰলেখাই অনিৰুদ্ধৰ সৈতে কথা পাতিব বুলি স্থিৰ কৰি, নাৰদমুনিয়ে শিকাই দিয়া তামসী বিদ্যাৰ প্ৰয়োগেৰে

কৰিম বা কৰা উচিত, তাকেহে ভাবি উলিয়াব পৰা নাই। যি কি নহওক, মই উষাৰ ওচৰলৈ যাবলৈ প্ৰস্তুত, চিত্ৰলেখা, মোক এতিয়াই তালৈ লৈ ব'লা।"

তেতিয়া সখি চিত্ৰলেখাৰ মন আনন্দেৰে উথলি উঠিল। তাই অনিৰুদ্ধৰ হাতত ধৰি আকাশলৈ উৰা মাৰিলে আৰু অনিৰুদ্ধকো অদৃশ্য কৰি পেলালে। আৰু চাওঁতে চাওঁতে দুয়ো আকাশপথেদি গৈ গৈ উষাৰ জিৰণি-কক্ষ পালেগৈ।

উষা-অনিৰুদ্ধই পৰস্পৰলৈ চালে ; দুয়ো আনন্দ-সাগৰত উটি-ভাহি থাকিল।

"সখি, এওঁৱেই তোমাৰ সেই প্ৰিয়তম। মই যে মোৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পাৰিলোঁ সেয়ে মোৰ আনন্দ। এতিয়া এওঁৰ পাণিগ্ৰহণ কৰাঁ। ৰাজ-পৰিয়ালত গান্ধৰ্ব-বিভা কদাপি অনুচিত কাৰ্য্য নহয়। দেৱী পাৰ্বতীৰ দয়াত তোমালোক দুয়ো এতিয়াৰপৰা পতি-পত্নী হ'লা।"

তাৰ পাছত চিত্ৰলেখীয়ে উষাক আঁকোৱালি লৈ ক্ষণমাত্ৰ নিৰৱে থাকিল, আৰু তৎপৰ উষাক নববস্ত্ৰ ; নৱালংকাৰাদি আৰু পুষ্পমালাৰে সজাই-পৰাই দিলে।

আৰু পাছ মুহূৰ্ততে অনিৰুদ্ধই উষাৰহস্ত নিজ হস্তত গ্ৰহণ কৰি পাণি-গ্ৰহণ কৰিলে।

ইপিনে — কোনোবা এক মানৰ অন্তেষপুৰলৈ প্ৰবেশ কৰি নিজপুত্ৰী উষাক প্ৰণয়জ্ঞাপন কৰাৰ বাতৰি পাই বাণাসুৰ

অতিপাত ক্ৰুদ্ধ হৈ উঠিল আৰু তৎক্ষণাৎ প্ৰহৰীহঁতক আদেশ দিলে, "তোমালোকে এই সেই দুষ্টমতিক বন্দী কৰাঁগৈ। চাবা — কোনোমতে পলাই সাৰিব নোৱাৰে যেন।"

আৰু লগে লগে হেজাৰ-বিজাৰ ৰাক্ষস তৰোৱাল আৰু আন নানান অস্ত্ৰ-শস্ত্ৰ হাতত লৈ অন্তঃপুৰৰ চুকে-কোণে, আৰু ঘাইকৈ উষাৰ কক্ষৰ চাৰিওফালে থিয় হ'ল।

এইবোৰ দৃশ্য অনিৰুদ্ধই ওপৰ মহলাৰ-পৰা দেখিলে, আৰু চিয়ঁৰ-বাখৰ শুনিলে। উষাৰ কক্ষৰ বাহিৰত—অ'ত ত'ত থিয় হৈ থকা ৰাক্ষসহঁতে গাৰ বলেৰে চিঞৰি চিঞৰি গগন ফালিবলৈ ধৰিলে।

আৰু এইবোৰ চাই-চিন্তি অনিৰুদ্ধও সিংহবিক্ৰমৰে যুদ্ধ কৰিবলৈ সাজু হ'ল।

উষাই অশ্ৰুভৰা দৃষ্টিৰে অনিৰুদ্ধলৈ চাই ক'লে, "মই এনেহেন এক কাৰ্য্য কৰিলোঁ, যি কাৰ্য্য মোৰ নিচিনা এজনীয়ে কৰা উচিত নাছিল। মই কুল-কলংকিনী হ'লোঁ। এক অমূল্য ৰত্নহেন ৰাজকোঁৱৰক মই দুৰ্ঘোৰ বিপদৰ মাজত নিক্ষেপ কৰিলোঁ। মোৰ এনেহে লাগিছে, দেৱী জগদম্বাৰ বৰদান জানোচা ব্যৰ্থহে হ'ব। হে মোৰ ভাগ্যদেৱতা! এই বিপদৰপৰা কোনেনো মোক উদ্ধাৰ কৰিব?" উষাই এনেকৈ বিলাপ কৰিবলৈ ধৰিলে।

অনিৰুদ্ধই মৃদুকৈ হাঁহি মাৰি উষাক ক'লে, "উষা, পত্নী মোৰ! তুমি মোৰ শৌৰ্য্য তথা পৰাক্ৰমৰ কথা একো নাজানা। আনকি দেৱাদিদেৱ স্বয়ং মহাদেৱেও মোক পৰাজিত কৰিব নোৱাৰিব। মই এই ৰাক্ষস-সেনাক কাটি তেজৰ নৈ বোৱাই শোণিতপুৰ নামৰ সাৰ্থকতা প্ৰমাণ কৰিব পাৰোঁ। তুমি কেৱল চাই থাকা—মই কেনেকৈ কি কৰোঁ। অনাৱশ্যক কন্দা-কটাৰ আৱশ্যক একেবাৰে নাই।"

লগে লগে অনিৰুদ্ধই টাঙন হাতত লৈ ৰাক্ষস বাহিনীৰ ওপৰলৈ জঁপিয়াই পৰিল, আৰু সেই মুহূৰ্তত নাৰদমুনি

নভোমণ্ডলত থিয় হৈ হাঁহি হাঁহি এই অদ্ভুত যুদ্ধৰ ৰং চাই থাকিল।

ৰাক্ষস সৈন্যইতে অনিৰুদ্ধলৈ নানান বাণ, তথা অন্যান্য অস্ত্র-শস্ত্র নির্বিচাৰে প্রয়োগ কৰিলে; কিন্তু অনিৰুদ্ধই সেই-বোৰলৈ উপেক্ষাহে প্রদর্শন কৰা হ'ল আৰু টাঙনেৰে ৰাক্ষসবিলাকক একালৰপৰা টঙনিয়াই থাকিল। ভালেমান ৰাক্ষস মৰিল, অজস্র আহত হ'ল, আৰু বাদবাকী ৰাক্ষস-সৈন্যই যি যেনিয়ে দি পাৰিলে পলাই বাণাসুৰৰ চাৰিওফালে গোট খোৱা হ'লগৈ।

বাণাসুৰে এই পৰাজিত ৰাক্ষসসৈন্যইঁতক ডবিয়ালে আৰু ক'লে, "তোমালোকে প্রাণৰ ভয়ত শত্রুলৈ পিঠি দি পলাই আহিছা। তোমালোকৰ জন্ম হ'ল পলাবৰ কাৰণেহে। তোমালোকে মোৰ মুখত কলংক-কালিমা লেপন কৰিলা, ৰাক্ষস বংশৰ নাম ডুবিল। যোৱা, আকৌ যোৱা, যুদ্ধলৈ বিক্রমৰেজ পিয়াই পৰাগৈ।"

বাণাসুৰে এইবাৰ অনিৰুদ্ধক ভালকৈ এশিকা দিবলৈ ৰাক্ষস বীৰ কালকেয়ক যুদ্ধলৈ প্রেৰণ কৰিলে। কালকেয়ই পৃথিৱীৰপৰা আকাশলৈকে থিয় হৈ অনিৰুদ্ধক অন্যান্য ৰাক্ষস-সৈন্যৰে সৈতে আগুৰি ধৰিলে।

কিন্তু অনিৰুদ্ধ অলপো নদমিল। অনিৰুদ্ধই একে একে প্রায় সকলো ৰাক্ষসকে ধৰাশায়ী কৰাত বাণাসুৰে প্রমাদ গণিলে। বাণাসুৰ আৰু তেওঁৰ ৰাক্ষস-বাহিনীৰ নামত আনকি দেৱৰাজ ইন্দ্রয়ো ভয় কৰে। কিন্তু—কিন্তু এনে এক নগণ্য যুৱকে যেনেদৰে বীৰ ৰাক্ষস বাহিনীক পর্যুদস্ত কৰিলে, সেই কথা সঁচাকৈয়েই বিস্ময়কৰ। ৰাক্ষসকুলৰ গণ্যমান্য বীৰ কালকেয়য়ো সুবিধা কৰিব পৰা নাই।

আৰু তেতিয়া স্বয়ং বাণাসুৰেই যুৱক অনিৰুদ্ধক ৰণ দিবলৈ ৰণশিঙা বজাই ৰঙা ঘোঁৰাত উঠি আহিল।



নাহৰতকৈ সুকাঠী

ৰামাপুৰত ৰংগদাস নামৰ এজন বৈদ্য আছিল। গাঁৱত বৈদ্যৰ সিমান আদৰ-আহবান নথকা দেখি ৰংগদাস বৈদ্য নগৰলৈ গ'ল, আৰু তাতে চিকিৎসালয় পাতি বহিল, কিন্তু নগৰতো বৈদ্য ৰংগদাসৰ চিকিৎসা-ব্যৱসায় বেয়াকৈ চাল ল'লে, তেতিয়া বৈদ্য ৰংগদাসে বাধ্যত পৰি বেজালি এৰি বেহাবলৈ ধৰিলে, আৰু কথা আচৰিতেই, বেহা-বেপাৰতহে ৰংগদাসক তেওঁৰ ভাগ্যই মোৰ বুলিলে।

এইদৰে বছৰদিয়েক পাৰ হ'ল।

এদিন চাউল কিনাৰ কামত বেপাৰী ৰংগদাস চুবুৰীয়া গাঁৱলৈ গ'ল, আৰু সেই গাঁৱৰ শেষ সীমাত ডাকাইতহঁতে ৰংগদাসৰ সকলো — আনকি পিন্ধনৰ ভাল ভাল কাপোৰ- কানিখিনিও কাঢ়ি লৈ কিছুখিনি লেতেৰা কাপোৰ-কানি পিন্ধিবলৈ দিলে।

সেই গাঁৱত এই বেপেৰুৱা ৰংগদাসৰ চিনাকি মানুহ কোনো নাছিল। সেই গাঁৱলৈ যি কাম কৰিবলৈ ৰংগদাস আহিছিল সেই কামটি সামৰিবলৈ ধনৰ আৱশ্যকতা আছিল। কিন্তু এনে লেতেৰা ৰংগদাসক গাঁৱৰ কোনেও বেপাৰী বুলি বিশ্বাসেই নকৰা হ'ল, মগনিয়াৰ বুলিহে ভাবিলে।

শেষ চেষ্টা হিচাপে ৰংগনাসে আন এজন বেপাৰীক ক'লে, "ডাঙৰীয়া, এক নতুন ধৰণৰ চাউল কিনিবলৈহে মই ইয়ালৈ আহিছিলোঁ। বাটত ডাকাইতহঁতে মোৰ সৰ্বস্ব — আনাকি কাপোৰ-কানি-খিনিও কাঢ়ি লৈ গ'ল। মই নগৰৰ এজন ডাঙৰ ব্যৱসায়ী। চাউল কিছুখিনি কিনাত মোক সহায় কৰক, আৰু মোৰে সৈতে

ধীৰাজ চাংকাকতী

নগৰলৈ ব'লক। নগৰ পাই আপোনাক আপোনাৰ ধন দুগুণে পৰিশোধ কৰিম।"

গাঁৱৰ বেপাৰীজনে খাৰাংখাচ কৈ দিলে, "এয়া সত্যযুগ নহয়. কলি যুগত অচিনাকি লোকক ইমান ধন উধাৰ দিয়া সম্ভৱ নহয়। অৱশ্যে—নগৰত মোৰো চিনা-জনা বেপাৰী কেইজনমান নথকা নহয়, আছে। পিছে — আপোনাৰ নামটোনো কি ক'বনে আমাক?"

"মোৰ নাম ৰংগদাস।"

"ৰংগদাস— ?" গাঁৱলীয়া বেপাৰীজনে উপেক্ষাৰে সৈতে ক'লে, "ওহোঁ, এই নামৰ কোনো বেপাৰীক মই চিনি নাপাওঁ।"

"ডাঙৰীয়া, আপুনি—আপুনি পুনৰ এবাৰ ভাবি চাওকেইচোন. নগৰত মোৰো অলপ নাম-ডাক নথকা নহয়। মোৰ নামটো কেতিয়াবা আপুনি নিশ্চয় শুনিছে।" খীণ কণ্ঠেৰে ৰংগদাসে ক'লে।

দাঁতে-ওঁঠে কামুৰি ধৰি গাঁৱলীয়া বেপাৰীয়ে কিবা যেন ভাবি ভাবি হঠাৎ কৈ উঠিল. "ওঁ ওঁ ওঁ··হয়—এ···হেঁ··· ৰংগদাস—ক'বাত শুনা শুনা যেন— "

"ক'লোঁৱেই নহয়, যে—নগৰত মোৰো অলপ নাম-ডাক আছে।"

গাঁৱৰ বেপাৰীয়ে ক'লে, "হয় হয়, এতিয়াহে মনত পৰিছে। নগৰীয়া ৰংগদাস নহয়, ৰামাপুৰীয়া ৰংগদাসৰ নামটোহে মোৰ মনত পৰিছে। ৰামাপুৰৰ ঘৰে ঘৰে



ৰংগদাস বৈদ্যৰ কিমান যে নাম-ডাক।”

এই কথাত আচৰিত মানি ৰংগদাসে কৈ উঠিল, “ডাঙৰীয়া, এই কথা সঁচা যে মই এসময়ত ৰামাপুৰত বৈদ্য হৈ আছিলোঁ। কিন্তু চিকিৎসা-বৃত্তিত জীয়াই থকাত টান পাইহে নগৰলৈ আহি বেপাৰত ধৰিছিলোঁ। এতিয়া—মই যে এসময়ত চিকিৎসক হৈ আছিলোঁ, নিজেই সেই কথা পাহৰিলোঁ। এতিয়া শুনি কেনেৰা কেনেবা লাগিছে — ৰামাপুৰৰ ৰাইজে আজিও মোৰ নাম লয়! আপুনি কেতিয়া ৰামাপুৰলৈ গৈছিলনো?”

“এয়া কিছুদিনৰ আগতে, মোৰ ভনীয়েৰাৰ বিয়া উপলক্ষ্যে। বিশ্বাস কৰক —ৰামাপুৰত আজিও আপোনাৰ নাম অক্ষয়-অমৰ।” বেপাৰীয়ে ক'লে।

যেই কি নহওক বেপাৰীয়ে তেতিয়া ৰংগদাসক ভাল কাপোৰ-কানি পিন্ধিবলৈ দিলে, খুৱালে-বুৱালে, আৰু লাগে-মানে ধনো দিলে। তাৰ পাছত ৰংগদাসৰ লগ লাগি এইজন বেপাৰী নগৰলৈ গ'ল, আৰু নিজৰ ধনখিনি লৈ উভতি আহিল।

ৰংগদাসে সকলো কথা পৰিবাক কোৰাৰ অন্তত মন্তব্য কৰিলে। “মই মই ৰামাপুৰ এৰি আহি কিজানি ডাঙৰ ভুলহে কৰিলোঁ। তাত মোৰ নাম ঘৰে ঘৰে। তুমিয়েই মোক ৰামাপুৰ এৰি আহিবলৈ বাধ্য কৰিছিলা, আৰু ইমান-

দিনৰ ভিতৰত আনকি এবাৰ তালৈ যাবলৈকো নিদিলা। এবাৰ ৰামপুৰলৈ যাওঁ ব'লা, কিছুদিন তাত থকাৰ অন্তত পুনৰ নগৰলৈ আহিম।"

ৰংগদাসৰ পৰিবাৰ ৰংগিলীয়ে এই কথাৰ উত্তৰত ক'লে, "আপোনাৰ যে তাত নাম-ডাক আছে, মই প্ৰথমেৰেপৰাই জানো। মোৰ কথা শুনে যদি—আমি তালৈ কাহানিও নোযোৱাই ভাল।"

"শুনা, আজিলৈকে তোমাৰ কথা মই মানি আহিছোঁ; কিন্তু এতিয়া আৰু নামানো। মোৰ ৰামাপুৰত ইমান নাম-ডাক থকাৰ কথা জানিছিলাই যদি—কোনোদিনে মোক কোৱানাছিলা কিয় ? নে মোৰ নাম-যহ শুনিলেই তোমাৰ জ্বৰ উঠে?" ৰংগদাসে পৰিবাৰক থেকেচিলে।

"নহয়, তেনেকুৱা কোনো কথা নাই। কথা হ'ল—ৰামাপুৰৰ ৰাইজ এই কথাত একমত যে—আপুনি বৈদ্য হ'লেও বেজালি একেবাৰে নাজানে। আপোনাৰ দৰব মানে বিহ। কাজিয়াৰ সময়ত সময়ত ঘৰে ঘৰে গিৰিয়েকে ঘৈণীয়েকক ঘৈণীয়েকে গিৰিয়েকক এই বুলি সঁকীয়াইছিলঃ ৰ'ব্বা, মই তোমাৰ বেমাৰ ভাল কৰিবলৈ নাহৰতকৈ সুকাঠী ৰংগদাসক মাতি আনিম চাবা। মাকেও কেঁচুৱাক এই কথাৰেহে নিচুকাইছিল। এইদৰে, সকলোটিয়েই আপোনাৰ নামত ধেমালি-ধুমুলাহে কৰিছিল। মই এইবোৰ কোৱাহেঁতেন আপুনি মনত বৰ দুখ পালেহেঁতেন। এতিয়া—আপুনিয়ে ভাবি চাওক, আমি ৰামাপুৰলৈ যোৱা উচিত হয়নে হয়নে নহয়। হয় যদি যাম, ন'হলে নাই কাম।" ৰংগিলীয়ে ক'লে।

ৰংগদাস যে কেৱল ৰামাপুৰলৈ নোযোৱা হ'ল তেনে নহয়, তেওঁ আনকি সেই গাঁৱলীয়া বেপাৰীৰ গাঁৱলৈকো আৰু কদাপি ভুলতো নোযোৱা হ'ল।

দানিপৰা দানপত্ৰ

দুই

[যোৱা সংখ্যাৰ পিছৰপৰা]

এইদৰে বহু বছৰ উকলিল। ৱান-চু এতিয়া চৌধ্য বছৰীয়া হ'ল। এদিন ৱান-চুৱে তাৰ মাকক সুধিলে, "মা, মোক অলপ পাটৰ পা-পোছাক বনাই দিয়ানা।"

মাকে তাক এইবোৰ কথা ভাবি কেঁচা আলিত ভাবি নিদিবলৈ ক'লে।

মাকে ক'লে, সি-ও হুমতুম নানাতিলে; কিন্তু সি তপতভাতে জুইৰ গুৰিয়ে বিচাৰি বিচাৰি, মাকৰ চকুক ফাঁকি দি, ককায়েক ৱান-চী-ক ক'লেগৈ, "ককাইদেউ, আমাৰ দেউতা বৰ ডাঙৰ মানুহ আছিল হেনো। মোৰ পোছাক-পাতি চাই মানুহে মোলৈ আঙুলিয়াই আঙুলিয়াই ইতিকিং কৰে। মোক অলপ পাটৰ কাপোৰ দিয়া।"

"তোমাক যদি নতুন চোলা-কাপোৰ লাগিছে — তুমি বাৰু তোমাৰ মাৰাক নোকোৱাগৈ কেলেই ?" ৱান চী-য়ে ভায়েকক ডাবি মাৰি ক'লে, আৰু সৰুকৈ হ'লেও লগতে চৰ এপাতো শোধালে। ৱান-চুৱে সকলো কথা মাকক ক'লেগৈ।

ৱান-চী-ৰ খং তেতিয়ালৈকো মাৰ যোৱা নাছিল। পাছদিনা দহো ৰাইজক মতাই অনাই তেওঁলোকক ৱান-চী-য়ে ক'লে, "আপোনালোকে দয়া কৰি শুনক। মোক আপোনালোকে ৱান-চু-ৰ শতুৰু বুলি নাভাবিব। সিহঁতক খেদাই দিয়াৰ ইচ্ছা মোৰ সমূলি নাই; কিন্তু কালি ৱান-চু-য়ে সা-সম্পত্তিৰ কথাত দন

কৰিবলৈ আহিছিল। এতিয়া—দয়া কৰি দহো ৰাইজে ভাবি চাওক — পুলিতেই যদি এই—ডাঙৰ হোৱাৰ পাছত কি হ'ব ? দেউতাই তেওঁৰ দান-পত্ৰত লিখি থৈ যোৱা মতে মই ৰান-চু-ক সকলো জোখে-জোখাৰে দিয়েই আছোঁ। এতিয়া আপোনালোকৰ সমুখত পুনৰ কওঁ, পূব ফালৰ ঘৰটো, আৰু লগতে পাঁচ হালিচা মাটিও তাক দিয়া হৈছে। মই দেউতাই দান-পত্ৰত লিখি থৈ যোৱা মতে তাক তাৰ পাওনাখিনি দিছোঁ।" এই বুলি কৈ, দেউতাকে দি থৈ যোৱা দানপত্ৰখন সমূহ ৰাইজৰ চকুৰ আগত মেলি ধৰিলে।

তাৰ পাছত ৰান-চুইঁতে সিইঁতৰ সামান্য মাল-মতং লৈ সেই পূবফলীয়া ঘৰটোলৈ গ'ল। এই ঘৰটো আছিল এটা আও-পুৰণি ঘৰ। প্ৰতিটো কোঠাত চালৰ পানী চকুৰ পানী হৈ পৰে। ঘৰৰ সমুখতে সেই পাঁচ হালিচা মাটিত বহু কষ্ট কৰি মাক মেইয়ে ধান কলে। কিন্তু নহ'ল।

এনেকৈ চাওঁতে চাওঁতে এবছৰ পাৰ হৈ গ'ল। এদিন মেইয়ে আৰ-তাৰপৰা শুনিলে যে এই গাঁৱত এজন অতি বুদ্ধিমান ন্যায়াধিকাৰী নতুনকৈ আহিছে। কিছুদিনৰ আগতে দৰ্জি এজনৰ খৈণীয়েকে দৰ্জিৰ হত্যাকাৰী হিচাপে এজন মানুহৰ বিৰুদ্ধে আগৰ ন্যায়াধিকাৰীৰ ওচৰত গোচৰ দিয়াত সেই ন্যায়াধিকাৰীয়ে মানুহজনক মৃত্যু দণ্ডেৰে দণ্ডিত কৰিছিল। আৰু ঠিক তেতিয়াই নতুন ন্যায়াধিকাৰী আহিল। এওঁ অতি বুদ্ধিমত্তাৰে প্ৰকৃত হত্যাকাৰীক ৰিচাৰি উলিয়ালে আৰু আগৰ ন্যায়াধি-কাৰীৰপৰা মৃত্যুদণ্ডপ্ৰাপ্ত নিৰ্দোষ ব্যক্তি-জনক বে-কচুৰ খালাছ কৰি দিলে। এই এই কথাত ৰাইজে পঞ্চমুখে এই নতুন ন্যায়াধিকাৰীক শলাগিলে।

শুনি মেইয়ে ভাবিলে ঃ এই নতুন ন্যায়াধিকাৰীজনে মোৰ ৰান-চু-ৰ প্ৰতি ৰান-চীয়ে কৰা অন্যায়ৰ প্ৰতিকাৰ কৰিব।

মেই সেই নতুন ন্যায়াধিকাৰীৰ কাষ চাপিল আৰু গিৰিয়েকে দি থৈ যোৱা সেই দানপত্ৰৰূপী চিত্ৰ-পুথিখন তেওঁক দিলে, আৰু প্ৰথমৰেপৰা কথাখিনি চমুকৈ বিবৰাৰ অন্তত ক'লে, "হুজুৰ, ৱান চায়ে মোৰ স্বামীৰ পূৰ্ণ সা-সম্পত্তি গ্ৰাস কৰিলে। আপুনি ন্যায় বিচাৰ কৰি দিবনে ? তেওঁ মৃত্যুৰ সময়ত মোক এই চিত্ৰপুথিখন দিছিল আৰু কৈছিল যে—আচল দানপত্ৰ ৰহস্য এইখন চিত্ৰপুথিতহে আছে। কোনোবা ন্যায়িক আৰু ধৰ্মাত্মা তথা বুদ্ধিমন্ত ন্যায়াধিকাৰীয়ে এই চিত্ৰপুথিৰ ৰহস্য উদ্ধাৰ কৰিব পাৰিব। আমাৰ প্ৰাৰ্থনা—আপুনি আমাক ন্যায় বিচাৰ কৰি দিয়ক।"

ন্যায়াধিকাৰীয়ে চিত্ৰপুথিখন নিজৰ ওচৰত ৰাখিলে আৰু পাছত ভালকৈ পৰীক্ষা কৰি চালে ; কিন্তু তেওঁ একো বুজি নোপোৱা হ'ল। পাছত তেওঁ কাপোৰৰ টুকুৰাত এঠাৰে লগোৱা চিত্ৰখন সেই কাপোৰৰ টুকুৰাৰপৰা বেলেগ কৰিলে, আৰু তেতিয়া চিত্ৰখনৰ পিছফালে লিখি থোৱা কিছুমান কথা দেখা পালে। তাত লিখা হৈ আছিল ঃ

"মই বৃদ্ধ হ'লোঁ। মোৰ দ্বিতীয় পুত্ৰ ৱান-চু এতিয়াও বালক হৈ আছে। ডাঙৰ ল'ৰা ৱান-চী অতি দুষ্ট প্ৰকৃতিৰ। সি তাৰ ভ্ৰাতৃ ৱান-চু-ক প্ৰতাৰণা কৰিব পাৰে। মই মোৰ খেতি-পথাৰখিনি আৰু দুটা ঘৰ ৱান-চী-ক দিছোঁ। কিন্তু পুৱদিশৰ ঘৰটো ৱান-চু-ৱে পাব। এই ঘৰটো জৰাজীৰ্ণ, কিন্তু ঘৰটোৰ পূবফালৰ দেৱালৰ তলত পাঁচটা ডাঙৰ লোটাৰ ভিতৰত বিছমণ ওজনৰ ৰূপ পুতি থোৱা আছে। আৰু এনেকৈয়েই পশ্চিম ফালৰ দেৱালৰ তলতো পাঁচটা ডাঙৰ ডাঙৰ লোটাত বিছমণ ৰূপ আৰু আন এটা লোটাত চাৰিমণ সোণ ভৰাইপুতি থোৱা হৈছে। মোৰ সৰু ল'ৰাক মই মাটি-বাৰীৰ পৰিৱৰ্তে এইবোৰ সম্পত্তি দি থৈ গ'লোঁ।"

এইখিনি লিখাৰ তলত বৃদ্ধৰ চহী আৰু তাৰিখ আছিল।

পাছদিনা ন্যায়াধিকাৰীয়ে রান-চী-ক মতাই অনালে আৰু তাক ক'লে, "তোমাৰ সতিয়ৈ মাৰাই তোমাৰ বিৰুদ্ধে মোৰ ওচৰত গোচৰ তৰিছে। তুমি হেনো তোমাৰ সৰু ভাইক পিতৃ-সম্পত্তিৰ ন্যায্য ভাগৰ-পৰা বঞ্চিত কৰিছা। এই কথা সঁচানে?"

রান-চী-য়ে যথাসম্ভৱ নম্রতাৰে ক'লে, "হে মহানুভৱ! মোৰ ওচৰত দেউতাই লিখি থৈ যোৱা দান-পত্র আছে। সেই দানপত্রত লিখা মতে সকলো মই দিছো তাক। আপুনি সেই দানপত্র চাই পঢ়ি যি ৰায় দিব, মই মানি ল'ম।"

ন্যায়াধিকাৰীয়ে পাছদিনা রান-চী-ৰ ঘৰলৈ যাব বুলি ক'লে।

রান-চীয়ে ন্যায়াধিকাৰীক অভ্যৰ্থনা কৰিবলৈ তাৰ ঘৰটো সজালে আৰু এই ৰায়ৰ সাক্ষী হৈ থাকিবলৈ মিতিৰ-কুটুম বহুতকে নিমন্ত্রণ কৰিলে।

পাছদিনা ন্যায়াধিকাৰী দোলাত উঠি রান চী-ৰ ঘৰলৈ ৰাওণা হোৱাৰ আগতে মেই-কো তেওঁৰ পুত্রৰে সৈতে রান-চী-ৰ ঘৰ গৈ পাবলৈ কৈ পঠালে।

তাৰ পাছত দোলাত উঠি ৰাওণা হৈ রান-চী-ৰ ঘৰৰ দুৱাৰমুখত নামিল, আৰু নামিয়েই তাত অদৃশ্য কাৰোবাৰ সৈতে কথা পাতি থাকিল। ন্যায়াধিকাৰীয়ে অদৃশ্য কাৰোবাক ক'লে, "আহক মহাশয়, ব'লক, ঘৰলৈকে ব'লক।"

রান-চী-ৰ সুন্দৰ কোঠা এটাত ন্যায়াথিকাৰী নিজেও বহিল আৰু সেই অদৃশ্য মানুহজনকো বহিবলৈ অনুৰোধ কৰিলে আৰু বহাৰ পাছত ক'লে, "চাওক, আপোনাৰ পত্নীয়ে মোৰ ওচৰত আপোনাৰ জ্যেষ্ঠ পুত্রৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিছে। এই কথাত পৰামৰ্শনো কি?......
...অ'—তেন্তে—কথা হ'ল এয়েহে! হয়, আপোনাৰ ডাঙৰ ল'ৰাৰ ব্যৱহাৰ অতি

অনুচিত ব্যৱহাৰ। তেনেহ'লে—আপুনি আপোনাৰ কনিষ্ঠ পুত্ৰক কি দিব বুলি স্থিৰ কৰিছে ? পুবফালৰ ঘৰটো ? কিন্তু—কেৱল ঘৰটোৰেই সি চলি থাকিব পাৰিবনে ? ......অ'...ওঁ ওঁ... বুজিলোঁ। ঠিক আছে...আপুনি যেনেকৈ ক'ব তেনেকৈয়েই হ'ব। ...এইবোৰেই হ'ল আপোনাৰ কনিষ্ঠপুত্ৰৰ ..? ঠিক আছে, আপুনি কোৰামতে কাম কৰিম।"

তাত উপস্থিত থকাইঁতে ভাবিলে যে—নতুন ন্যায়াধিকাৰী নিশ্চয় কিবা ভূত বা প্ৰেতৰ সৈতেহে কথা পাতিছে। ভূতৰ সৈতে ভেটা-ভেটি কৰা ন্যায়াধিকাৰী !

ন্যায়াধিকাৰীয়ে ৱান-চী-লৈ ঘূৰি চাই ক'লে, "তুমি ক'ত আছিলাগৈহে ইমান পৰলৈ ? মই তোমাৰ দেউতাৰাৰ লগত কথা পতা—তুমি শুনিছিলানে বাৰু ?"

"নাই শুনা। —কেনেকৈনো হ'ব পাৰে— ? দেউতা স্বৰ্গী হ'ল ..আৰু আপুনি... ।" ৱান-চী-য়ে বগৰি-বুটলাটোৰ দৰে সুধিলে।

"দীঘলমুখৰ দীৰ্ঘদেহী বাদামৰ দৰে চকুযুৰি পাতল পাতল বগা দাড়ীয়া আৰু ৰাজকীয় টুপি ক'লা জোতামূৰীয়া জোতা ৰঙা ৰঙৰ লুঙী আৰু কঁকালত সোণৰ পেটী বন্ধা ৰাজ-প্ৰতিনিধি 'না' তোমাৰ দেউতাৰ নহয় জানো ?" ন্যায়াধিকাৰীয়ে ৱান-চী-ক একে উশাহতে সুধিলে।

"হয় হয়, হু-ব-হু—হু-ব-হু!" কুটুমহঁতে কণ্ঠেৰে কাঁহ বজালে।

ন্যায়াধিকাৰীয়ে সেই চিত্ৰপুথিত যি বৰ্ণনা আছিল, তাৰ আলমতে বৃদ্ধ 'নী'ৰ এই বৰ্ণনা দিছিল; কিন্তু অন্যান্যৰ লগত আনকি ৰান-চী-য়েও ভাবিলে যে ন্যায়াধিকাৰী নিশ্চয় মৃত আত্মাৰ সৈতে মাত-বোল কৰিব পৰা মানুহ।

ন্যায়াধিকাৰীয়ে এইবাৰ সকলোটিৰ উপস্থিতিত ৰান-চী-ক সুধিলে, "শুনা, পূবফালৰ সেই জহি-খহি পৰা ঘৰটো তুমি ৰান-চু-ক দিবলৈ সন্মতনে?"

"হয়, ডাঙৰীয়া।" ৰান-চী-য়ে সৰ্ব-সমক্ষত ক'লে।

তাৰ পাছত ন্যায়াধিকাৰী সেই জহি-খহি পৰা ঘৰটোলৈ গৈ, সোঁমাজৰ কোঠা এটাত বহি, সেই দানি-পৰা দানপত্ৰৰূপী চিত্ৰপুথিখন পুনৰ পঢ়াৰ ভাও দি ৰান-চী-ক ক'লে, "শুনা, এই ঘৰটোৰ পূব আৰু পচিম ফালৰ দেৱালৰ তলত সোণ-ৰূপ পুতি থোৱা আছে বুলি অলপ আগতে তোমাৰ দেউতাৰাই মোক কৈ গৈছে। —তথাপি তুমি ৰান-চু-ক এই ঘৰটো দিবানে?"

"তাত যিমানেই সোণ-ৰূপ-হীৰা-মাণিক নাথাকক—এই ঘৰত আৰু ঘৰৰ সংলগ্ন মাটিত যি থাকিব, ৰান-চু-ৱে পাব। কিন্তু মোৰ সম্পত্তি সি হাতেৰে ছুলেও তাৰ হাত মই গুড়ি কৰি দিম।"

তাৰ পাছত ন্যায়াধিকাৰীয়ে যেতিয়া দানি-পৰা দান-পত্ৰৰূপী চিত্ৰপুথিত সংকেত দিয়া মতে খান্দি খান্দি চল্লিছ মোণ ৰূপ আৰু চাৰিমোণ সোণ উলিয়াই আনিলে, তেতিয়া লোকলৈ বুলি হুল চঁচা গিয়ান-বুধীয়া সিয়ান ৰান-চী-য়ে উঠিধান মুঠি নোহোৱাত যোৱা-থোৱাহেন হৈ ভাবিলেঃ

ইয়াকে বোলে 'কপাল'—
যʼলৈকে যাওঁ লগত যাব
পিকিং কিম্বা নেপাল।"

প্ৰকৃতিৰ বিস্ময়

কুম্ভকৰ্ণৰ ককাই

ফ্ৰগমাউথ [অৰ্থাং ভেকুলিমুৰা] নামৰ অষ্ট্ৰেলিয়াৰ এবিধ ৰাতিচৰা চৰায়ে দিনৰ বেলিকা এনেকৈ নিঃসাৰে টোপনিয়াই থাকে যে ইয়াক টোপনিয়াই থকা ডালৰপৰা ধৰি লৈ গ'লেও ই বৰি-বকৰা একো নাজানিব।

ভীমা ডিমা

পৃথিৱীৰ প্ৰাৰম্ভিক যুগৰ অতিকায় প্ৰাণীডাইনছ'ৰাছৰ ভীমাকৃতি অতিকায় ডিমা ফ্ৰান্সত আৱিষ্কৃত হৈছে। এই ডিমা [কণী] বহলে ৩-৩ মিটাৰ। এই ডিমা ৮ ০,০০০.০০ বছৰৰ আগেয়ে জীৱিত থকা ৩০। ফুট দীঘলে এক ৰাক্ষসাকৃতি প্ৰাণীৰ ভীমা ডিমা।

এটা কুকুৰা-কণীৰ তুলনাত ডায়ন'ছৰাছৰ কণী কিমান ডাঙৰ দেখুউৱা হৈছে।

দুখৰ অগ্নিমুখ

পৃথিৱীত সক্ৰিয় আগ্নেয়গিৰিৰ সংখ্যা হ'ল ৪৫৫। অৱশ্যে আৰু ৮০টিও আছে, সাগৰতলীত। সক্ৰিয় আগ্নেয়-গিৰিৰ সংখ্যা আটাইতকৈ অধিক হ'ল ইন্দোনেছিয়াত, ১৬৭। ইয়াৰ ভিতৰত ৭৭ টা-ই সেই ঐতিহাসিক কালত উদ্গাৰিছিল।

অতিকে' মৰমৰ এই উপহাৰ দিয়েনে কি ভাবি চাওক প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক

অসমীয়া, বাংলা, ইংলিছ, গুজৰাটি, হিন্দী, কন্নড়, মালায়ালম্, মৰাঠী, ওড়িয়া, সংস্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক

বছৰেকীয়া বৰঙণি :

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 81.00 টকা * উৰা-জাহাজ যোগে 156.00 টকা

ফ্ৰান্স, ছিংগাপুৰ, ইংলেণ্ড, আমেৰিকা, পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 87.00 টকা * উৰা-জাহাজ যোগে 156.00 টকা

টকা-পইচা
চান্দমামা পাবলিকেশ্বনছে পোৱাকৈ
কেৱল ডিমাণ্ড ড্ৰাফট নাইবা মনিঅৰ্ডাৰ যোগে তলৰ ঠিকনালৈ পঠাব :

চাৰ্কুলেশ্বন মেনেজাৰ
চান্দমামা পাবলিকেশ্বনছ
চান্দমামা বিল্ডিংছ
বড়াপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৯ চনৰ জানুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৯ চনৰ নৱেম্বৰৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৯ চনৰ ছেপটেমবাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : চং দিয়ে বুলনীয়ে

দ্বিতীয় ফটো : ৰং চায় ভাইটিয়ে

পুৰস্কাৰ প্ৰাপক : মোস্তাফিজুৰ ৰহমান, নগাঁও হাইস্কুল, হয়বৰগাঁও, অসম।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI,
MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

IN YOUR OCTOBER ISSUE OF



Visesh/NC/8940/Ass